## সাধাৰণজ্ঞানৰ প্ৰশ্ন

আপুনি যদি এই পুথিখন মনোযোগেৰে পঢ়িছে, আপুনি তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিব পাৰিব, সেইবোৰ আমাৰ ডাকযোগীয়া বাইবেল স্কুলৰ অংশ:

১। ঈছা যে ৰাজনীতিত জড়িত নাছিল তাৰ প্ৰমাণ তেওঁৰ জীৱনৰ পৰা তিনিটা উদাহৰণ লিখক।

২। যেতিয়া ঈছাৰ চাহাবাসকলে কৈছিল, “হে প্ৰভু, চাওক, ইয়াত দুখন তৰোৱাল আছে”, ঈছাই তেওঁলোকক কৈছিল, “সেয়ে যথেষ্ট” (লূক ২২·৩৮)। ঈছাই কি অৰ্থ কৰিছিল?

৩। যিৰূচালেমত প্ৰবেশ কৰিবলৈ ঈছাই কিয় এটা গাধ বাচি লৈছিল?

৪। কিতাবুল মোকাদ্দছত জখৰিয়া নবীয়ে নবুৱতী কৰিছিল যে প্ৰভুৱে একে দিনাই দেশৰ অপৰাধ গুচাব (জখৰিয়া ৩·৯)। সেই নবুৱতী কেনেকৈ সিদ্ধ হৈছিল?

৫। সলীৱবিদ্ধ হোৱাৰ আগতেই ঈছাই জনা তিনিটা কথা বৰ্ণনা কৰক: (ক) ঈস্কৰিয়োতীয়া ইহূদাৰ লগত, (খ) পিতৰৰ লগত, (গ) আটাইবোৰ চাহাবাৰ লগত।

৬। মথি ১৭:২২,২৩ পঢ়ক। এই দুটা আয়াতত ঈছাই তেওঁলৈ কি ঘটিব তাক তেওঁ আগতেই কি কৈছিল?

৭। ঈছাৰ যে সঁচাকৈয়ে মৃত্যু হৈছে পীলাতে কেনেকৈ গম পাইছিল?

৮। দানিয়েলে “এজন অভিষিক্ত লোকক উচ্ছন্ন কৰা হব, আৰু তেওঁৰ সম্বন্ধীয়া কোনো নাথাকিব” (দানিয়েল ৯:২৬) বুলি কোৱাৰ দৰে, দানিয়েলৰ নবুৱতী কেনেকৈ সিদ্ধ হৈছিল?

শেষ



# মছীহৰ সলীৱ মৃত্যু ঃ এটি বাস্তৱ তথ্য, উপকথা নহয়।

*আহমদ দীদাত লিখিত “সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?” ৰ উত্তৰ*

*মছীহই সলীৱৰ পৰা পলায়ণ নকৰাৰ সপক্ষে যুক্তি*

*জ’ন গিলখ্ৰাইষ্ট*

**প্ৰকাশক**
*দাৰ-উল-মছীহ*
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

*“মছীহৰ সলীৱ মৃত্যু ঃ এটি বাস্তৱ তথ্য, উপকথা নহয়।”*

Assamese Translation of “THE CRUCIFIXIONOF CHRIST: A FACT, NOT FICTION” A short handbook to refute the accusation that Jesus Christ escaped the Cross. This is a polemic literature in response to an aggressive booklet called “Crucifixion or Cruci-fiction? by Ahmad Deedat of Darban, South Africa. John Gilchrist, the writer of this booklet has Biblical reply of all the accusations here. It is translated into Assamese by Mr. Mridul Das and Mrs. Provamoni Das, edited by Mr. Khursheed and Published by ‘Dar-ul-Masih’ Guwahati - 781 001. Price Rs. 10/- only.

***Published By:***
Light of Life
Villach/ Austria

প্ৰথম **অসমীয়া সংস্কৰণ** ঃ জানুৱাৰী ২০০৬ চন
***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী-৭৮১০০১

© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

***1000 Copies***

***Price Rs. 10/- Only***

Printed at **ComPress,** Ambari, Guwahati - 1





সময়ত “to crucify”ৰ অৰ্থ সহজ ভাষাত “ক্ৰুচত জোঙা বস্তুৰে খুঁচি ওলোমাই ৰখা” বুলি দেখুৱাবলৈ এটা উদ্ধৃতিয়েই যথেষ্ট। ইহূদী জনগনৰ আগত এবাৰ ৰছুল পিতৰে ঘোষনা কৰিছিল:

“সেই ঈছাকেই আল্লাহৰ নিৰূপিত মন্ত্ৰণা আৰু পূৰ্ব্বজ্ঞান অনুসাৰে শোধাই দিয়া হলত, তোমালোকে অধৰ্ম্মীবোৰৰ হতুৱাই সলীৱত দি বধ কৰালা”। (পাঁচনিৰ কৰ্ম্ম ২·২৩)।

আয়াতটোত স্পষ্টৰূপে পঢ়িব পোৱা যায় তোমালোকে সলীৱত দি বধ কৰালা, তাৰ স্পষ্ট অৰ্থ হৈছে, “তোমালোকে গজালেৰে খুঁচি তেওঁক সলীৱৰ ওপৰত দিলা আৰু তাৰ ওপৰতে তেওঁক বধ কৰিলা”। গতিকে মানুহ এজনক যদি সলীৱত সঁচাকৈ বধ কৰা নহয়, তাৰ অৰ্থ তেওঁক কেতিয়াও সলৱিত দিয়া হোৱা নাছিল – এই ভাবধাৰাটো উদ্ভট। যদি “সলীৱত দিয়া”ৰ অৰ্থ কেৱল সলীৱত বধ কৰাই হয়, পিতৰে মাত্ৰ কলেহেঁতেন “তোমালোকে তেওঁক সলীৱত দিলা”, কিন্তু “বধ কৰালা” কথাষাৰ যোগ দি তেওঁ স্পষ্টকৈ দেখুৱাইছে যে “সলীৱত দিয়া” মানে কেৱল সলীৱত গজালেৰে খুঁচি লগোৱা। ঈচাক সলীৱত দিয়া হৈছিল কিন্তু তেওঁৰ মৃত্যু হোৱা নাছিল বুলি সমৰ্থন কৰি দীদাতে সেই একে দুৰৱস্থাতে ৰৈ গৈছে – যিটো মতবাদ প্ৰকৃত মছীহি আৰু মুছলমান উভয়ৰে বাবে ঘৃণনীয়।

দীদাতৰ অভিযোগৰ পাছত থকা মনোভাব বা সিদ্ধান্ত বুজি পাবলৈ সংগ্ৰাম কৰিব লগীয়া হয়। তেওঁ এইদৰে ভবা যেন লাগে যে যদি তেওঁ প্ৰমাণ কৰিব পাৰে যে ঈছাৰ সলীৱত মৃত্যু হোৱা নাছিল, তাৰপৰা প্ৰমাণ হয় যে কোৰাণে ইহূদীবিলাকে তেওঁক বধ কৰা নাছিল বুলি কওঁতে কোৰাণ সত্য। কিন্তু এই যুক্তি কেনেকৈ সম্ভৱ যেতিয়া সমস্ত যুক্তিয়ে কোৰাণে অস্বীকাৰ কৰা আনটো কথা স্বীকাৰ কৰি লয় – ঈছাৰ আচল সলীৱবিদ্ধ হৈ ঘটা মৃত্যু ? তেওঁৰ বিতৰ্কত কোনো যুক্তিযুক্ততা একেবাৰেই নাই যেন দেখা যায়।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

যুক্তিৰ উদ্ভাৱন হৈছে। কাৰণ কোৰাণে স্পষ্টকৈ কৈছে যে ঈছাক "সলীৱবিদ্ধও কৰা নাছিল আৰু হত্যাও কৰা নাছিল" (চুৰাহ ৪·১৫৭) আৰু পৃথিবীৰ সকলোতে গৰিষ্ঠ সংখ্যক মুছলমানে ইয়াৰ অৰ্থ এই বুলি লয় যে ঈছাক কেতিয়াও সলীৱত দিয়াই হোৱা নাছিল। ১৯৭৫ চনত "ঈছা মছীহক সলীৱত দিয়া হৈছিল নে ? " বিষয়টোৰ ওপৰত দীদাতৰ লগত মই বেননিত এখন আলোচনা-চক্ৰ পাতিছিলোঁ আৰু স্থানীয় বাতৰিকাকতখনে এইবুলি লেখি তেওঁৰ যুক্তিবোৰৰ ওপৰত সঠিকৰূপে অভিমত দিছিল, "তেওঁক সলীৱত দিয়া হ'ল, কিন্তু নমৰিল, তেওঁ তৰ্ক কৰিলে"। যিহেতু তেওঁৰ সমস্ত মতবাদে ঈছাক সলীৱত দিয়াৰ বিষয়ে কেৱল বাইবেলেই নহয়, কিন্তু কোৰাণেও কোৱা কথাবোৰ অৱমাননা কৰা দেখিবলৈ পোৱা অনেক জ্ঞানী মুছলমান আছে, তেওঁ এতিয়া নিজৰ ওপৰত আনি লোৱা এই দুৰৱস্থাৰ পৰা নিজকে ওলিয়াবলৈ চেষ্টা কৰিছে।

তেওঁ সেইবাবে তৰ্ক কৰিছে যে "সলীৱত দিয়াৰ" অৰ্থ হৈছে "সলীৱত হত্যা কৰা" আৰু কৈছে যে এজন মানুহ যদি সলীৱৰ পৰা বাচি থাকে, তাৰ অৰ্থ হৈছে তেওঁক কেতিয়াও সলীৱত দিয়া হোৱা নাছিল। তেওঁ দেখুৱাইছে যে ইংৰাজীত "to electrocute"ৰ অৰ্থ হৈছে বিজুলীৰ সোঁত দি হত্যা কৰা আৰু "to hang"ৰ অৰ্থ হৈছে জৰীৰে ফাঁচি দি হত্যা কৰা। গতিকে তেওঁ কৈছে যে ইংৰাজীত "to crucify"ৰ অৰ্থও "ক্ৰুচত হত্যা কৰা" হব লাগিব আৰু দাবী কৰিছে যে ইংৰাজী ভাষাত crucifixion, electrocution ba hangingৰ চেষ্টা কৰাৰ বিকল্প শব্দ নথকাত ইংৰাজী ভাষাৰ নাটনিৰ বাবে তেওঁক দায়বদ্ধ কৰিব নোৱাৰি।

এইদৰে কোৱাত তেওঁ আচল কথাটো ধৰিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। বাইবেলত সলীৱত দিয়াৰ বিৱৰণবোৰ প্ৰথমতে গ্ৰীক ভাষাত লিখা হৈছিল আৰু এহেজাৰ বছৰতকৈ অধিক সময়ৰ পাছতহে ইংৰাজী ভাষালৈ তৰ্জ্জমা কৰা হৈছিল। দীদাতে বুজি পোৱা ইংৰাজীত "to crucify"ৰ অৰ্থ কি সেইটো লাগতিয়াল কথা নহয়, কিন্তু প্ৰথমতে ইঞ্জিলবোৰ লিখোতে গ্ৰীক ভাষাত তাৰ অৰ্থ কি আছিল, সেইটোহে লাগতিয়াল। বাইবেলৰ



# পাতনি

বিভিন্ন দিশত আজি প্ৰতিযোগীতাৰ জোৱাৰ উঠিছে। ধৰ্মীয় দিশত এই প্ৰতিযোগীতা অতি উচ্চ স্তৰত উঠিছে। শুভবাৰ্ত্তা প্ৰচাৰ কৰা সাতামপুৰুষীয়া পদ্ধতি আৰু প্ৰচেষ্টাক বিভিন্ন ধৰ্মৰ প্ৰচাৰকে প্ৰত্যাহ্বান জনাইছে। কিন্তু যিমানেই এই প্ৰত্যাহ্বান নাহক কিয়, ঈছা মছীহৰ শুভবাৰ্ত্তা জগতৰ চুকে কোনে প্ৰচাৰিত হৈয়েই আছে।

এনে এটি প্ৰত্যাহ্বান আহিছে আহমদ দীদাত নামৰ এগৰাকী ভাৰতীয় বংশদ্ভোধ দক্ষিণ আফ্ৰিকাৰ মুছলমান প্ৰচাৰক। মছীহি ধৰ্মৰ পৰা মুছলমান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা আহমদ দীদাত বহু বছৰ ধৰি ঈছা মছীহৰ শুভবাৰ্ত্তা প্ৰতিহত কৰিবলৈ তেওঁৰ মনেসজা মতবাদ প্ৰচাৰ কৰি আছে। কিন্তু এই প্ৰচেষ্টা সফল হোৱাটো দূৰৰ কথা— তেওঁৰ কাৰ্যই ঈছা মছীহৰ শুভবাৰ্ত্তাৰ প্ৰতি মানুহক আৰু অধিককৈ আকৰ্ষিতহে কৰিছে। উল্লেখিত কিতাবখনত আহমদ দীদাতৰ এনে কিছুমান মনেসজা মতবাদ ভূল আৰু শাস্ত্ৰ সন্মত নহয় বুলি প্ৰমাণিত কৰা হৈছে।

পঢ়ুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাওঁ যে, এই কিতাব খনি "মূল ইংৰাজী" **"THE CRUCIFICTION OF CHRIST: A FACT, NOT FICTION"** ৰ প্ৰথম অসমীয়া সংস্কৰণ। অনুবাদ কাৰ্যত শ্ৰীযুত মৃদুল দাসে সহায় কৰা কাৰণে তেওঁলৈ ধন্যবাদ। কিতাব খনিত এনে কিছুমান উৎস বা ঐতিহাসিক ঘটনাৰ উল্লেখ আছে যিবোৰৰ লগত পঢ়ুৱৈ সমাজে সুপৰিচিত নহবও পাৰে। মূল ইংৰাজী কিতাব খনিৰ লিখক শ্ৰীযুত জন গীল খ্ৰাইষ্ট এগৰাকী জাৰ্মান পণ্ডিত, কিতাবুল মোকাদ্দছৰ শাস্ত্ৰ বিশাৰদ। কিতাবুল মোকাদ্দছৰ ওপৰত বহল জ্ঞাণ থকা এই গৰাকী পণ্ডিতে জীৱনৰ বহুতো ঠাইত ইয়াৰ সপক্ষে বকৃতা আগবঢ়াইছে। উল্লেখিত কিতাবখনত তেওঁ আহমদ দীদাত নামৰ মুছলমান প্ৰচাৰক জনৰ মতবাদৰ বিৰুদ্ধে যুক্তি আগবঢ়াইছে। তেওঁৰ অক্লান্ত পৰিশ্ৰম আৰু অধ্যয়ণৰ ফলশ্ৰুতি এই সৰু কিতাব খন।

অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাবখনে পঢ়ুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম। মহান খোদাৰ মহব্বত, হজৰত ঈছামছীহৰ অনুগ্ৰহ ও পাকৰুহুৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। আশাকৰো পঢ়ুৱৈ সমাজে ইয়াক আগৰদৰেই সাদৰেৰে গ্ৰহণ কৰিব। খোদা হাফিজ ।

**খুৰছিদ আলম**, সম্পাদক
*দ্বাৰ-উল-মছীহ*
গুৱাহাটী, ৭ জানুৱাৰী, ২০০৬ চন।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

# শীৰ্ষক

## *মছীহৰ সলীৰ মৃত্যু ঃ এটি বাস্তৱ তথ্য, উপকথা নহয়*


| | |
|---|---|
| আৰম্ভণি | ৫ |
| ১। ঈছাই হঠাৎ আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল নে কি ? | ৬ |
| ২। দীদাতৰ পুথিত ঈছাৰ প্ৰতিকৃতি | ১২ |
| ৩। ঈছাই তেওঁৰ বিচাৰৰ সময়ত নিজকে ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল নে ? | ১৬ |
| ৪। সলীবত দিয়াৰ পাছত ঈছা জীয়াই থকাৰ মতবাদ | ১৮ |
| ৫। দীদাতৰ পুথিত ভিত্তিহীন উক্তিবোৰ | ২৮ |
| ৬। দীদাতে ইচ্ছাকৃতভাৱে গোপন কৰা ইঞ্জিলৰ সত্যবোৰ | ৩৪ |
| ৭। সাধাৰণজ্ঞানৰ প্ৰশ্ন | ৩১ |






আহ্বান কৰে আৰু কোনো প্ৰকৃত মছীহিয়ে সমালোচনামূলক বিশ্লেষন সন্মুখীন হব নোৱাৰা কোনো কথাত বিশ্বাস কৰিবলৈ নিবিচাৰিব। কিন্তু দীদাতৰ “সলীৱ মৃত্যু ? অথবা সলীৱৰ উপকথা ? ”, ৰ দৰে প্ৰকাশনবোৰত আমি সঁচাকৈয়ে ক্ষুব্ধ হওঁ, কাৰণ সেইবোৰে আমাৰ বিশ্বাসৰ প্ৰতি থকা প্ৰমাণবোৰ বিপদগামী আৰু বিকৃত কৰাৰ বাহিৰে একো নকৰে। এইবোৰ আমাৰ অনুভূতিক আঘাত দিয়াৰ লক্ষ্যেৰে লিখা হৈছে। আমি নিশ্চিত যে বেচিভাগ মুছলমানেই দীদাতে মছীহি ধৰ্ম্মক অৱমাননা কৰাৰ দৰে কোনো মছীহি প্ৰকাশনে ইছলাম ধৰ্ম্মক বিকৃত ৰূপ দিলে একে অনুভৱ কৰিব।

আমি শান্তনা লভিছোঁ যে দক্ষিণ আফ্ৰিকাৰ অনেক মুছলমানে তেনে প্ৰকাশনৰ প্ৰতি তেওঁলোকৰ তীক্ষ্ণ বিৰোধী অভিমত প্ৰকাশ কৰিছে। অলপতে এখন স্থানীয় মুছলমান আলোচনীয়ে দীদাতৰ প্ৰণালীৰ বিষয়ে এইদৰে কৈছে:

দক্ষিণ আফ্ৰিকাৰ সৰ্বত্ৰ, আনকি মছীহি ধৰ্ম্ম প্ৰচাৰৰ চক্ৰবোৰতো এই কথা সৰ্ব্বজন বিদিত, বিশেষকৈ মি: আহ'মদ দীদাতৰ ক্ষেত্ৰত, যে দক্ষিণ আফ্ৰিকাৰ মুছলমান সমুদায় সামগ্ৰিকভাৱে তেওঁৰ ইছলাম ধৰ্ম্ম বিস্তাৰ কৰাৰ প্ৰথাক সম্পূৰ্ণ সন্মত নহয়। মি: দীদাতৰ ইছলাম ধৰ্ম্ম বিস্তাৰ কৰাৰ প্ৰথাক, বিশেষকৈ মছীহিসকলৰ মাজত, স্বয়ং ‘মুছলিম ডাইজেষ্টে’ বছৰৰ পাছত বছৰ স্পষ্ট ভাষাত দোষাৰোপ কৰি যথেষ্ট বিবৃতি দিছে। দায়িত্বশীল মুছলমান ধৰ্ম্মীয় সংগঠন আৰু ব্যক্তিয়ে মুছলমানৰ বিৰুদ্ধে অসদ্ভাৱ উৎপন্ন কৰাকৈ তেওঁৰ ইছলাম ধৰ্ম্ম প্ৰচাৰ কৰাৰ প্ৰণালীক সমৰ্থন নকৰে ।

(দা মুছলিম ডাইজেষ্ট, জুলাই/আগষ্ট/চেপ্তেম্বৰ, ১৯৮৪)।

যদি প্ৰমাণ কৰিব পৰা যায় যে ঈছা মছীহৰ সলীৱত মৃত্যু হোৱা নাছিল, তেন্তে ই প্ৰমাণ কৰে যে তেওঁক সলীৱত দিয়াই হোৱা নাছিল! – দীদাতৰ এই তৰ্কবাদৰ বিবেচনা কৰি আমি সামৰণি মাৰিম। আমি পূৰ্বৰ প্ৰকাশনবোৰত দেখুৱাইছোঁ যে ঈছা মছীহ সলীৱত মৃত্যুৰ পৰা ৰক্ষা পৰিছিল – দীদাটে এই মতবাদটো লৈ নিজৰ ওপৰত জাপি লোৱা জটিল পৰিস্থিতিৰ পৰা তেনে ভোটা




Document Produced by deskPDF Unregistered :: http://www.docudesk.com

মচি পেলাইছে।

যি কোনো অকপট মুছলমানে নিশ্চয়ে দেখিব যে ঈছাক সলীৱত দিয়াৰ বিষয়ে লিখা তেওঁৰ পুথিখনৰ সমস্ত পুথিখনৰ বিষয়-বস্তু হৈছে সত্যৰ বিকৃতি আৰু ঈছা মছীহক সলীৱবিদ্ধ কৰা, তেওঁৰ মৃত্যু আৰু পুনৰুত্থানৰ সত্যতাৰ একার্থভাৱে সাক্ষ্য দিয়া ইঞ্জিলৰ পৰিস্কাৰ উক্তিবোৰ তেওঁ সকলো সময়তে বিকৃত ৰূপ দিছে।

আমি ইয়াতে যোগ দিব পাৰোঁ যে দীদাতৰ কেন্দ্ৰৰ পৰা প্ৰকাশ কৰা প্ৰকাশনবোৰৰ ভিতৰত এইটোৱেই প্ৰথম উদাহৰণ আমি পোৱা নাই, য'ত আন আন লেখনিৰ উদ্ধৃতিবোৰৰ এইদৰে অপব্যৱহাৰ কৰা হৈছে। আমি আমাৰ সকলো পাঠকক পৰামৰ্শ দিওঁ, যেন তেওঁলোকে শব্দ মচি পেলাই তাৰ ঠাইত কেৱল তিনিটা বিন্দু বহোৱা তেনে ধৰণৰ উদ্ধৃতিবোৰ অতিশয় সাৱধানতাৰে লয়। সমস্ত উদ্ধৃতিটোৰ পৰা যিটো ফল পোৱা সম্ভৱ নহয়, বাদ বাকী থকাখিনিৰ পৰা বেলেগে এক অৰ্থ ওলিয়াবলৈ বিকৃত কৰা হয়।

ঈছাই সঘনাই কৰা নবুৱতী যে তেওঁ তিনি দিনৰ পাছত মৃতবিলাকৰ মাজৰ পৰা উঠিব, তাক ইহুদীসকলৰ মনত আছিল আৰু এই নবুৱতী সিদ্ধ হোৱাৰ সম্ভাৱনা তেওঁলোকে ৰোধ কৰিব বিচাৰিছিল – তেওঁৰ পুনৰুত্থানৰ দ্বাৰাই সঁচাই হওঁক বা তেওঁৰ চাহাবাবিলাকৰ কাৰ্য্যৰ যোগেদি কৌশল কৰি কৰাই হওঁক। "ইহুদীসকলে তেওঁৰ মৃত্যুক সন্দেহ কৰিছিল" আৰু তেওঁলোকে "তেওঁ সলীৱত মৃত্যু হোৱাৰ পৰা ৰক্ষা পৰিছিল বুলি সন্দেহ কৰিছিল" – দীদাতৰ এই দাবীৰ কোনো ন্যায্যতা নাই (৭৯ পৃ:)। তেওঁৰ পুথিৰ ৪২ পৃষ্ঠাত দিয়া উদ্ধৃতিৰ পৰা তেওঁ বাদ দিয়া কথাবোৰে অতি পৰিস্কাৰকৈ দেখুৱায় যে তেওঁৰ সঁচাকৈয়ে মৃত্যু হৈছে বুলি তেওঁলোক সন্তুষ্ট হৈছিল, কিন্তু তেওঁ পুনৰ জী উঠিছে বুলি চাহাবাবোৰে দাবী কৰাটো তেওঁলোকে বিচৰা নাছিল।

মছীহিসকলে তেওঁলোকৰ শাস্ত্ৰৰ আৰু বিশ্বাসৰ অকৃত্ৰিম সমালোচনামূলক বিশ্লেষনত আপত্তি নকৰে। প্ৰকৃততে, আমি সেইবোৰক একপ্ৰকাৰে আদৰণি জনাওঁ কাৰণ আমি যি বিশ্বাস কৰো সেই বিষয়ে নিশ্চিত হবলৈ সেইবোৰে আমাক





কিতাবুল মোকাদ্দছখন হৈছে লোহাৰ নিয়াৰি যিহৰ ওপৰত মাৰি অনেক হাঁতুৰী ভঙা হৈছে, তথাপি ইয়াৰ শত্ৰুবোৰে ইয়াৰ ওপৰত কোনো সাঁচ বহুৱাবলৈ চেষ্টা কৰাৰ পৰা কেতিয়াও ভাগৰি নপৰে। দাৰ'বানত থকা মুছলমান ধৰ্ম্ম বিস্তাৰ কেন্দ্ৰৰ আহমদ' দীদাটে তেওঁৰ "ঈছাক সলীবত দিয়া হৈছিল নে?" নামৰ সৰু পুথিখনৰ যোগেদি অতি কমেই সফলতা লাভ কৰিছিল যদিও অৱশেষত পুথিখনৰ প্ৰায় একলাখমান কপি বিলোৱা হৈছিল। তেওঁৰ প্ৰকল্প তাতে পৰিত্যাগ নকৰি, "সলীৰ মৃত্যু নে-সলীৱৰ উপকথা?" (Crucifiction or Cruci-fic-tion?) নামৰ আন এখন সৰু পুথিৰ আকাৰত তেওঁ মছীহি ইমানৰ ওপৰত এক নতুন আক্ৰমণ প্ৰকাশ কৰি ওলিয়াইছে।

এই প্ৰকাশনৰ সমস্ত বিষয় প্ৰসঙ্গটো হৈছে যে ঈছা দুৰ্ব্বল প্ৰকৃতিৰ আৰু চৰিত্ৰৰ লোক, তেওঁ যিৰূচালেমত এক অকৃতকাৰ্য্য আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল আৰু দৈবক্ৰমে সলীৱত মৃত্যু হোৱাৰ পৰা ৰক্ষা পৰিছিল। এই মতবাদৰ কিতাবুল মোকাদদছৰ ভেঁটি নাই আৰু ঈছাক কেতিয়াও সলীৱত দিয়া হোৱা নাছিল বোলা কোৰানৰ শিক্ষাক অস্বীকাৰ কৰিছে (চুৰাহ ৪·১৫৭)। এই মতবাদক পাকিস্তানৰ অ-মুছলমানীয় সংখ্যালঘু সম্প্ৰদায় বুলি ঘোষনা কৰা আহ'মদীয় ধৰ্ম্মপন্থীসকলেহে কেৱল মানে। কেৱল দীদাতেহে জানে তেওঁ কিয় অখ্যাত ধৰ্ম্মপন্থী এটাৰ অভিপ্ৰায়ৰ পক্ষপাতিত্ব কৰি আছে আৰু প্ৰকৃত মছীহি আৰু মুছলমান উভয়ৰে বাবে অভিশাপ স্বৰূপ এক মতবাদক তেওঁ কয় সমৰ্থন কৰে।

এই সৰু পুথিখনত আমি দীদাতৰ প্ৰকাশনৰ অপ্ৰমাণহে আগবঢ়াম আৰু তেওঁৰ ৰচনাত তেওঁ ফালৰি কাটি গৈ সম্পূৰ্ণ বক্তৃতা স্বৰূপে লিখা অনেক বিচাৰ্য্য বিষয় স্পৰ্শ নকৰাকৈ আমি হাতত থকা বিষয়টোৰ ওপৰতহে একমাত্ৰ মনোযোগ দিম।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

১। ঈছাই হঠাৎ আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল নে কি?

তেওঁৰ সৰু পুথিখনৰ আগভাগত দীদাতে সকলো সময়তে এটা বিষয় প্ৰসঙ্গ ব্যৱহাৰ কৰিছে যে ঈছাই যিৰূচালেমত তেওঁৰ অন্তিম সপ্তাহত হঠাৎ আক্ৰমণৰ এটা আলচ কৰিছিল যিটো পাছত নিস্ফল হৈছিল। এক ব্যৰ্থ আক্ৰমণ বোলা শিৰোনামাৰ তলত তেওঁ কৈছে "...তেওঁৰ উচ্চাকাংক্ষা দিঠকত পৰিণত নহল। সেমেকা ফটকাৰ দৰে সমস্ত কৃতিত্ব বুৰবুৰণি উঠি মাৰ গল..." (দীদাত,"সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?" **১০** পৃ:)। ঘটনাটোৰ প্ৰায় বিশ শতাব্দীৰ পাছত প্ৰথম অনুমান কৰি ওলিউৱা নতুন যুক্তি তৰ্কটো শুনি সকলো মছীহি আৰু মুছলমান নিশ্চয় আচৰিত হৈছিল যে ঈছাই এক ৰাজনৈতিক আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল। কাৰণ ঈছাই সকলো সময়তে আঁতৰি থকা একমাত্ৰ বিষয়টো আছিল তেওঁৰ দিনৰ ৰাজনীতিত জড়িত হোৱাটো। ৰোমীয় শাসনকৰ্ত্তাক কৰ দিয়াৰ লাভালাভৰ ওপৰত হোৱা তৰ্ক-বিতৰ্কৰ মাজত সোমাবলৈ তেওঁ অমান্তি হৈছিল (লূক ২০:১৯-২৬), তেওঁক ৰাজনৈতিক নেতা কৰিবলৈ বিচাৰোতে তেওঁ লোকবিলাকৰ মাজৰ পৰা আঁতৰি গৈছিল (ইউহোনা ৬:১৫) আৰু তেওঁৰ চাহাবাসকলক ৰাজনৈতিক ক্ষমতা বিচৰাসকলৰ দৰে নহবলৈ নিয়মিতৰূপে শিক্ষা দিছিল (লূক ২২:২৫-২৭)।

ঈছাই কাইজাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ মানুহবিলাকক উচটাইছে বুলি ৰোমীয় দেশাধিপতি পীলাতক পতিয়ন নিয়াবলৈ ইহূদীসকলে সকলো প্ৰকাৰৰ চেষ্টা কৰিছিল (লূক ২৩:২), আনকি দীদাতেও এক অৰক্ষিত মুহূৰ্ত্তত স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে এই অপবাদ "সম্পূৰ্ণ অসত্য আছিল" (২৭ পৃ:)। গতিকে ই অতি তাৎপৰ্য্যপূৰ্ণ কথা যে আনকি দীদাতেও স্বীকাৰ কৰে যে ঈছাক "গোড়া ধৰ্ম্মপন্থী, ৰাজনৈতিক আন্দোলনকাৰী, বিধবংসকাৰী ব্যক্তি, আতঙ্কবাদী যেন নালাগে!" (২৭ পৃ:)। তেওঁৰ পুথিত লিখিছে: "তেওঁৰৰাজ্য পাৰমাৰ্থিক, পাপ আৰু নিয়ম পৰায়ণবাদৰ পৰা তেওঁৰ দেশক উদ্ধাৰ কৰা এজন শাসক"। (দীদাত,"সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?" ২৭ পৃ:)।





ঠাইত বিন্দু ভৰোৱা কথাখিনি স্পষ্ট হৰফত দিম। শাস্ত্ৰৰ অংশটো হল এই:

"মহাশয়, সেই প্ৰবঞ্চকে জীয়াই থাকোঁতে কৈছিল, 'তিন দিনৰ মূৰত মই পুনৰায় উঠিম', এই কথা আমাৰ মনত পৰিছে। এই হেতুকে তৃতীয় দিনলৈকে তাৰ মৈদাম ৰাখিবলৈ আজ্ঞা দিয়ক; কিজানি তাৰ শিষ্যবোৰে আহি তাক চুৰকৈ নি, মানুহবিলাকক কব, 'তেওঁ মৃতবিলাকৰ মাজৰ পৰা উঠিল'; সেয়ে হলে, প্ৰথম ভ্ৰান্তিতকৈয়ো শেষ ভ্ৰান্তি হানিজনক হব"। (মথি ২৭· ৬২-৬৪)।

আমি লগে লগে দেখিবলৈ পাওঁ যে ইহূদীবিলাকে ঈছা সলীৱৰ পৰা জীৱিত অৱস্থাত নামি আহিছিল বুলি এক মূহুৰ্ত্তৰ বাবেও বিশ্বাস কৰা নাছিল। ঈছাই জীয়াই থাকোতে কোৱা কথা এষাৰ লৈ তেওঁলোক পীলাতৰ ওচৰলৈ গৈছিল। এই কথাবোৰৰ কেৱল ইয়াকেই অৰ্থ কৰিব পাৰি যে তেওঁলোকৰ দৃষ্টিত ঈছা আৰু জীৱিত হৈ থকা নাছিল। আৰু তেওঁলোকে পীলাতক মৈদামটো বন্ধ কৰিবলৈ কৈছিল, আঘাতপ্ৰাপ্ত মানুহ এজন সুস্থ হৈ উঠাৰ ভয়ত নহয়, কিন্তু কাৰণ তেওঁলোকে ভয় কৰিছিল তেওঁৰ চাহাবাসকলে তেওঁৰ শৰীৰ চুৰ কৰি নিব আৰু মৃতবিলাকৰ মাজৰ পৰা তেওঁ উঠিল বুলি ঘোষনা কৰিব। শাস্ত্ৰৰ অংশটোৰ এয়ে সহজবোধ্য আৰু পৰিস্কাৰ অৰ্থ।

স্পষ্ট হৰফত দিয়া বাক্যাংশখিনি দীদাতে কিয় বাদ দিছিল সেয়া অতি স্পষ্ট। সেইবোৰে তেওঁৰ মতবাদ সম্পূৰ্ণৰূপে মিছা প্ৰমাণ কৰে। দৰাচলতে মছীহি ধৰ্ম্মৰ বিৰুদ্ধে লিখা তেওঁৰ পুথিবোৰত তেওঁ নিয়মিতৰূপে এই ধূৰ্ত কৌশল ব্যৱহাৰ কৰা দেখিবলৈ পাওঁ। যিবোৰ শাস্ত্ৰৰ অংশ তেওঁৰ কামত আহিবলৈ অঁকাই-পঁকাই বিকৃত ৰূপ দিব পাৰিব বুলি তেওঁ ভাবে, তেনে অংশবোৰ তেওঁ প্ৰসংগৰ পৰা আঁতৰাই আনি ৰহণ সানে, আৰু তাৰপাছত তেওঁৰ মতবাদ সম্পূৰ্ণৰূপে নুই কৰা অংশবোৰ সহজভাৱে সম্পূৰ্ণৰূপে অৱহেলা কৰে। কেৱল এই ক্ষেত্ৰত এটা শাস্ত্ৰাংশৰ লগতহে তেওঁ এই কাম কৰিছে, তেওঁ কেইটামান শব্দ পকাই প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে যে ইহূদীসকলে ঈছা তেতিয়াও জীৱিত আছিল বুলি ভাবিছিল আৰু তেওঁলোকৰ মনত সেই ভাব একেবাৰেই নাছিল বুলি তৎক্ষণাতে দেখুওৱা শব্দবোৰ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

## ৬। দীদাতে ইচ্ছাকৃতভাৱে গোপন কৰা ইঞ্জিলৰ সত্যবোৰ

আগতে হৈ অহা কাৰ্য্যবোৰৰ পৰা আমাৰ পাঠকসকলে দীদাতে ইচ্ছাকৃতভাৱে তেওঁৰ উদ্দেশ্যৰ লগত নিমিলা বাইবেলৰ বাক্যবোৰ ইচ্ছাকৃতভাৱে মচি পেলোৱা দেখিলে আচৰিত নহব। ঈছা মছীহক সলীৱত দিয়াৰ পাছদিনা প্ৰধান ইমামসকল পীলাতৰ ওচৰলৈ আহিছিল আৰু মথি ২৭· ৬২-৬৪ত মৈদামটো কোনেও ওলাব সোমাব নোৱাৰাকৈ বন্ধ কৰিবলৈ অনুৰোধ কৰা আমি পাইছোঁ। দীদাতৰ পুথিত এই ঘটনাটো এইদৰে দিয়া হৈছে:

"মহাশয়, সেই প্ৰবঞ্চকে কৈছিল আমাৰ মনত পৰিছে … এই হেতুকে তৃতীয় দিনালৈকে তাৰ মৈদাম ৰাখিবলৈ আজ্ঞা দিয়ক, কিজানি … প্ৰথম ভ্ৰান্তিতকৈয়ো শেষ ভ্ৰান্তি হানিজনক হব" (দীদাত,"সলীৱ মৃত্যু ? অথবা সলীৱৰ উপকথা ?", ৪২ পৃ:)।

এই উদ্ধৃতিটোত দুবাৰ তিনিটা দেখিবলৈ নিমাখিত বিন্দু পোৱা যায় যেন বিষয়টোৰ লগত অদৰ্কাৰী বা অপ্ৰাসংগিক হোৱাৰ বাবে কিবা কথা বাদ দিয়া হৈছে। দীদাতৰ যুক্তিটো হল যে ইহুদীসকলে হঠাতে বুজিব পাৰিছিল যে ঈছা তেতিয়াও জীয়াই থাকিব পাৰে আৰু তেওঁলোকে "ঠগ খাব" পাৰে (৪২ পৃ:)। তেওঁৰ মতে তেওঁলোকে পীলাতৰ দ্বাৰাই মৈদামটো বন্ধ কৰিবলৈ তেওঁৰ ওচৰলৈ গৈছিল যাতে তেওঁ পলাব নোৱাৰে আৰু সুস্থ হৈ উঠিব নোৱাৰে। যি কি নহওক, দীদাতে কৈছে, তেওঁলোকৰ এদিন পলম হৈ গ'ল আৰু তেওঁলোকৰ "শেষ" ভুল আছিল ঈছাৰ কেইজনমান চাহাবাক "আঘাতপ্ৰাপ্ত মানুহজনক সহায় কৰিবলৈ" সুযোগ দিয়া (৪৩ পৃ:)।

ইয়াত এয়ে হৈছে যে দীদাতে উল্লেখিত উদ্ধৃতিটোৰ পৰা দুটা বাক্যাংশ ইচ্ছাকৃতভাৱে মচি পেলাইছে, সেইবোৰ অদৰ্কাৰী বুলি ভাবি নহয়, কিন্তু সেই কেইটাই তেওঁৰ যুক্তি-তৰ্ক সম্পূৰ্ণৰূপে খণ্ডন কৰে আৰু যি প্ৰস্বেদন সঁচাকৈ হবলৈ ধৰিছে তাৰ পৰা সম্পূৰ্ণ বেলেগ ছবি এখন আবিষ্কাৰ কৰিবলৈ পাঠকক সহায় কৰাৰ বাবে। আমি আধুনিক তৰ্জমাৰ পৰা গোটেই উদ্ধৃতিটো তলত দিম আৰু দীদাতে ওলিয়াই পেলোৱা আৰু তাৰ





সেইবাবে ইহুদীবিলাকক তেওঁলোকৰ শাসকবোৰৰ পৰা মুক্ত কৰিবলৈ ঈছাই সঁচাকৈয়ে এক ৰাজনৈতিক আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল বুলি তেওঁৰ পুথিৰ অন্য অংশত তেওঁ প্ৰমাণ কৰিবলৈ চেষ্টা কৰা দেখিবলৈ পোৱাটো আৰু অধিক লক্ষণীয় হৈ পৰিছে। তেওঁৰ পুথিৰ ২৭ পৃষ্ঠাত কৰা তেওঁৰ মন্তব্যই তেওঁৰ নিজৰ ৰচনাৰ তলৰ পৰাই দলিচাখন অজানিতে খহি পৰিছে! তেওঁ স্বীকাৰ কৰিছে যে ঈছাই বিদ্ৰোহৰ ষড়যন্ত্ৰ কৰা নাছিল।

এই মতবাদৰ সপক্ষে দীদাতৰ কিছুমান যুক্তি বিশ্লেষন কৰি চালেই বুজা যায় যে ই কিমান অযুক্তিকৰ আৰু এই কথা প্ৰমাণ কৰিবলৈ আমি সেইবোৰ চমুকৈ বিবেচনা কৰি চাম। তেওঁৰ 'যিসকল চাহাবাৰ তৰোৱাল নাই তেওঁলোকে নিজৰ চোলা বেচি তৰোৱাল কিনক' (লূক ২২:৩৬) - ঈছাক আটক কৰাৰ আগে আগে তেওঁৰ এই উক্তি দীদাতে যি ধৰণে ব্যৱহাৰ কৰিছে, তাৰ সৈতে আমি আৰম্ভ কৰিম। তেওঁ এই কথাষাৰ ঈছাই তেওঁলোকক অস্ত্ৰ তুলি লবলৈ আৰু জিহাদ বা "পবিত্ৰ" যুদ্ধৰ বাবে, সি যিয়েই নহওঁক লাগে, সাজু হবলৈ আহ্বান কৰা বুলি অৰ্থ কৰিছে। ঈছাৰ এই উক্তিৰ পাছতে কি লিখা আছে, সেইটো অতি তাৎপৰ্য্যপূৰ্ণ। তেওঁৰ চাহাবাসকলে কলে:

"হে খোদাবন্দ চাওক, ইয়াত দুখন তৰোৱাল আছে"। তেওঁ তেওঁলোকক কলে,"সেয়ে যথেষ্ট"। (লূক ২২:৩৮)।

বিদ্ৰোহ ৰটনা কৰিবলৈ দুখন তৰোৱাল কেতিয়াও "যথেষ্ট" নহয় আৰু ই স্পষ্ট যে ঈছাই বুজাব খুজিছিল "বহুত হল", অৰ্থাৎ, মই যি কৈছো তাক তোমালোকে ভুল বুজাটো। যি কি নহওক, যিহেতু তেওঁ তেওঁৰ পাঠকসকলক পতিয়ন নিয়াব বিচাৰিছে যে ঈছাই আক্ৰমণ কৰাৰ ষড়যন্ত্ৰ কৰিছিল, তেওঁ জোৰ দি যুক্তি দেখুৱাব বিচাৰিছে যে সমস্ত ইহুদী ইমামসমলক আৰু ঠিক তাৰপাছতে তেওঁলোকৰ ৰোমীয় শাসকদলক উচ্ছন্ন কৰিবলৈ দুখন তৰোৱালেই যথেষ্ট হলহেতেন! আশানুৰূপভাৱে তেওঁৰ যুক্তি অলপো প্ৰবৃত্তিজনক নহয়। ঈছাৰ চাহাবাসকলে কোনো মাৰ-পিট কৰিবলৈ উদ্যত বিদ্ৰোহী জাকৰ দৰে "লাঠি আৰু শিলগুটিৰে সশস্ত্ৰ" (১৩ পৃ:) আছিল বুলি বুজাব খুজি তেওঁ কল্পনাত ভাহি গৈছে। ঈছাই এক ডাঙৰ বিদ্ৰোহ আৰম্ভ কৰিবলৈ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

দুখন তৰোৱালেই যথেষ্ট বুলি ভবা এই অদ্ভূত অনিয়মক কেৱল পাতলাবলৈ চেষ্টা কৰি উঠোৱা দীদাতৰ এই দাবীক সাব্যস্ত কৰিবলৈ কিতাবুল মোকাদ্দছত কোনো প্ৰমাণ নাই! আন এঠাইত দীদাতে কৈছে:

ঈছাৰ চাহাবাসকলে তেওঁক সদায় ভুল বুজিছিল। (দীদাত,“সলীৰ মৃত্যু ? অথবা সলীৰৰ উপকথা ? ”, ২৩ পৃ:)।

তেওঁৰ পুথিত এই উল্লেখটোত “সদায়” শব্দটো ডাঠ চিঁয়াহীৰ আখৰত লিখা হৈছে। আকৌ এবাৰ নভবাকৈ দীদাতে নিজৰ কথাকে নুই কৰিছে, কাৰণ দীদাতে কব খোজাৰ দৰে যদি ঈছাই তেওঁৰ চাহাবাসকলক অস্ত্ৰৰে সুসজ্জিত হোৱাটো বিচাৰিলেহেতেন, তেনেহলে তেওঁৰ চাহাবাসকলে তেওঁৰ কথা ঠিকেই বুজি পাইছিল, কাৰণ তেওঁলোকে তেওঁৰ কথাৰ অৰ্থ ঠিক সেইটোৱেই বুলি ধৰি লৈছিল। কিন্তু তেওঁ ঠিকেই কৈছে যে চাহাবাসকলে তেওঁক প্ৰায়ে ভুল বুজিছিল – আন সময়ত ভুল বুজাৰ দৰে এই ক্ষেত্ৰতো। এই বিষয়টো ভালকৈ বুজি পাবলৈ হলে, তেওঁলোকে তৰোৱাল কিনা উচিত বুলি কোৱাৰ ঠিক পাছতে ঈছাই কি কৈছিল, তাক আমি চোৱা উচিত। তেওঁ কৈছিল:

“কিয়নো মই তোমালোকক কওঁ, তেওঁ অধৰ্ম্মীবিলাকৰ লগত গণ্য হল, এই যি বচন লিখা আছে, সেয়ে মোত সিদ্ধ হব লাগে; কিয়নো মোৰেই সম্বন্ধীয় কথাৰ শেষ হৈছেহি”। (লূক ২২:৩৭)।

তেওঁ যি শাস্ত্ৰৰ অংশ উল্লেখ কৰিছে সেয়া যিচয়া ৫৩ অধ্যায়ৰ পৰা আহিছে, প্ৰায় ৭০০ বছৰৰ আগতে লিখা এক ভবিষ্যদ্বাণী কৰা অধ্যায় য'ত যিচয়া নবীয়ে তেওঁৰ লোকসকলৰ হৈ মছীহই দুখ-ভোগ পোৱা আৰু গুণাহৰ বাবে তেওঁ নিজকে উৎসৰ্গা কৰা আগতেই দেখিবলৈ পাইছিল (যিচয়া ৫৩:১০)। ঈছাই যৰ পৰা উল্লেখ কৰিছিল, সেই সমস্ত আয়াতটোত এইদৰে লিখা আছে:

“এই হেতুকে মই মহৎ লোকবিলাকৰ লগত তেওঁক এক অংশ দিম আৰু তেওঁ পৰাক্ৰমীবিলাকৰ লগত লুটদ্ৰব্য ভাগ কৰি লব; কাৰণ তেওঁ মৃত্যুলৈ নিজ প্ৰাণ ঢালি দিলে আৰু অধৰ্ম্মীবোৰৰ লগত লেখত পৰিল; তথাপি তেওঁ অনেকৰ পাপৰ





বুলি কৰা অনুমানৰ পক্ষে কোনো সমৰ্থন নাই।

ঈছাক সলীৰৰ সৈতে গজাল মৰা নাছিল কিন্তু কেৱল ৰছীৰে বন্ধা হৈছিল – এই ধাৰণাৰ ভিত্তিত দীদাতে এই দাবী কৰা যেন লাগে। তেওঁ আৰু এটা ভিত্তিহীন উক্তি কৰিছে, “সাধাৰণ বিশ্বাসৰ বিপৰীতে, ঈছাক সলীৰত গজাল মৰা নাছিল” (৩১ পৃ:)। পেলেষ্টাইন দেশত পুৰাতাত্ত্বিক আবিস্কাৰে নিশ্চিত কৰিছে যে ৰোমানসকলে অপৰাধীবোৰক গজাল মাৰি সলীৰবিদ্ধ কৰিছিল (কিছু বছৰৰ আগতে দুয়োখন ভৰিৰ মাজেদি গজাল মৰা কঙ্কাল এটা পোৱা গৈছিল)। তাৰোপৰি, নবুৱতীবোৰৰ সাৰ্বজনীন সাক্ষ্য আৰু ঈছাক সলীৰত দিয়াৰ ঐতিহাসিক তথ্যবোৰ আছে, যিবোৰৰ পৰা পোৱা যায় যে ঈছাক সলীৰতগজাল মৰা হৈছিল (গীতমালা ২২·১৬, ইউহোন্না ২০·২৫, কলচীয়া ২·১৪)। দীদাতৰ যুক্তি, তেওঁ স্বীকাৰ কৰাৰ দৰে, “সাধাৰণ বিশ্বাসৰ বিপৰীতে”ই কেৱল নহয়, কিন্তু তেওঁৰ অনেকবোৰ যুক্তিৰ দৰে, শাস্ত্ৰৰ বিপৰীত, নিৰ্ভৰযুক্ত ঐতিহাসিক তথ্যৰ বিপৰীত, পুৰাতাত্ত্বিক আবিস্কাৰৰ বিপৰীত, প্ৰমাণবোৰৰ বিপৰীত আৰু প্ৰায়ে হোৱাৰ দৰে, সুবিবেচনাৰ বিপৰীত। ঈছাক ৰচীৰে সলীৰৰ সৈতে বন্ধা হৈছিল বুলি তেওঁৰ দাবীৰ সমৰ্থনত তেওঁ এক চিকুটো প্ৰমাণ দিব নোৱাৰে আৰু তাৰ ঠাইত, ঈছাক সলীৰত গজাল মৰা হৈছিল – এই নিৰ্ভৰযোগ্য ঐতিহাসিক তথ্যৰ ওপৰত তেওঁ অদৰ্কাৰী আৰু সম্পূৰ্ণ আনুমানিক আক্ৰমণৰ সহায় লব লগা হৈছে। তেওঁৰ এনে “মনে সজা” তথ্যবোৰ মুছলমান আৰু মছীহি ইমানৰ যিকোনো নিৰুপেক্ষ লোকে নাকচ কৰিব লাগে।

ঈছা মছীহৰ সলীৰত মৃত্যু আৰু পুনৰুত্থানৰ তথ্যৰ ওপৰত দীদাতে কৰা আক্ৰমণৰ যদি কোনো বিশ্বাসযোগ্যতা থাকিলহেঁতেন, তেন্তে আমি আলোচনা কৰা উপহাসযুক্ত দাবীবোৰৰ সহায় লবলৈ তেওঁৰ প্ৰয়োজন নহলহেঁতেন। সেইবোৰে সমালোচকজনে মান্যহীন প্ৰমেয় এটা প্ৰমাণ কৰিবলৈ, তাৰ বিৰুদ্ধে থকা তথ্যবোৰৰ লগত যুদ্ধ কৰোতে সমালোচকজনৰ যথেষ্ট মৰণত শৰণ দিয়া অৱস্থাৰ ইঙ্গিত দিয়ে।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

একমাত্ৰ পুত্ৰক দান কৰাত আল্লাহৰ আগ্ৰহত একো সন্তীয়া নাই। বাইবেলে মছীহিসকলক স্পষ্টকৈ কৈছে, "তোমালোক মূল্যেৰে কিনা হলা" (১ কৰিন্থীয়া ৬·২০) - কি মূল্য! - আৰু ৰহুলজনে আল্লাহৰ "বৰ্ণনাতীত দান"ৰ (২ কৰিন্থীয়া ৯·১৫) ফলতহে কেৱল কৱ পাৰিছে। মানুহক গুনাহ, মৃত্যু আৰু দোজখৰ পৰা ৰক্ষা কৰিবলৈ দিয়া মূল্য নিৰূপণ কৰিবলৈ কোনো সম্ভৱপৰ উপায় নাই। মছীহি ধৰ্ম্মৰ নাজাত এই জগতে দেখা আটাইতকৈ মূল্যৱান বস্তু - অনন্তকলীয়া আল্লাহৰ একমাত্ৰ পুত্ৰৰ জীৱন। একেদৰে ইবনুল্লাহত বিশ্বাস কৰি আল্লাহক তেওঁৰ গোটেই জীৱন সপি নিদিলে আৰু তেওঁৰ সমস্ত ব্যক্তিত্ব আৰু স্বভাৱ তেওঁৰ ইচ্ছাৰ কাষত সমৰ্পণ নকৰিলে কোনো মানুহে নাজাত লাভ কৰিব নোৱাৰে।

শেষতে, দীদাতে তেওঁৰ স্বভাৱসূলভ অশুদ্ধ অভিযোগত দাবী কৰিছে যে ইউহোন্না ২০·২৪-২৯ত লিখা, ঈচাই তেওঁৰ সন্দেহী চাহাবা থোমাৰ আগত দেখা দিয়া কাহিনীটো এক "দেখাদেখিকৈ কুখ্যাত 'ইঞ্জিলৰ সজা গল্প'" (৩১ পৃ:), আৰু লগতে দাবী কৰিবলৈ দুঃসাহস কৰিছে:

বাইবেলৰ পণ্ডিতসকল এই মীমাংসালৈ আহিব ধৰিছে যে "সন্দেহী থোমা"ৰ ঘটনাটো "কাম কৰি থাকোতে ধৰা পৰা" তিৰোতাজনীৰ ঘটনাটোৰ (ইউহোন্না৮·১-১১) লগত একে প্ৰকাৰৰ, অৰ্থাৎ, ই এক মনে সজা কাহিনী!
(দীদাত,"সলীৰ মৃত্যু ? অথবা সলীৱৰ উপকথা ? ", ৭৬ পৃ:)।

অতি তাৎপৰ্য্যপূৰ্ণৰূপে এই "বাইবেলৰ পণ্ডিতসকল" কোন, তাক দীদাতে আমাক কোৱা নাই। পুনৰুত্থিত ঈছাক নেদেখালৈকে তেওঁক বিশ্বাস কৰিবলৈ থোমাৰ অনিচ্ছা আৰু তেওঁক দেখাৰ পাছত তেওঁক তেওঁৰ প্ৰভু আৰু ইলাহ বুলি স্বীকাৰ কৰা থোমাৰ ঘটনাটো "মনে সজা কাহিনী" বুলি কতো একো প্ৰমাণ পোৱা নাই। ঘটনাটো আমাৰ বাবে উপলব্ধ আটাইবোৰ প্ৰাচীন পাণ্ডুলিপিত, পঢ়াত কোনো তাৰতম্য নোহোৱাকৈ অক্ষত অৱস্থাত পোৱা যায় আৰু সেইবাবে ইয়াৰ বিশ্বাসযোগ্যতাৰ পক্ষেই সাক্ষ্য সৰ্বসন্মতৰূপে আছে। এই ঘটনাটো সাজি ওলিওৱা হৈছিল





ভাৰ বলে আৰু অধৰ্ম্মীবোৰৰ নিমিত্তে অনুৰোধ কৰিছে"। (যিচয়া ৫৩:২২)।

ঈছাই স্পষ্টৰূপে কৈছিল যে এই নবুৱতী তেওঁত সিদ্ধ হবলৈ হৈছে আৰু ইয়াৰ অৰ্থ প্ৰচুৰ পৰিমাণে পৰিস্কাৰ। তেওঁ পাছদিনা সলীৱত "মৃত্যুলৈ নিজ প্ৰাণ ঢালি" দিব আৰু "অধৰ্ম্মীবোৰৰ লগত লেখত" পৰিব (তেওঁক সঁচাঁকৈয়ে দুজন চোৰৰ মাজত সলীৱত দিয়া হৈছিল - লূক ২৩:৩৩)। তথাপি সলীৱত জগতৰ গুণাহবোৰৰ বাবে প্ৰায়শ্চিত্ত কৰোতে তেওঁ "অনেকৰ গুণাহৰ ভাৰ" বব আৰু "অধৰ্ম্মীবোৰৰ নিমিত্তে অনুৰোধ" কৰিব (তেওঁ সলীৱৰ ওপৰৰ পৰা তেওঁৰ হত্যাকাৰীবোৰৰ বাবে মুনাজাত কৰিছিল - লূক ২৩:৩৪)। তেওঁৰ এই ক্ষমাশীল কাৰ্য্যৰ বাবে খোদায় তেওঁক "নিজ প্ৰাণৰ দুঃখৰ ফল দেখি তৃপ্ত হবলৈ" দিব (যিচয়া ৫৩:১১) আৰু তেওঁৰ জয়ৰ "লুটদ্ৰব্য" তেওঁক দিব - তেওঁৰ পুনৰুত্থানৰ স্পষ্ট ভবিষ্যদ্বাণী।

ঈছাৰ সম্পূৰ্ণ উক্তি দীদাতে আওকান কৰিছে কাৰণ সেয়া তেওঁৰ মতলবৰ বিপৰীতে যায়, কিন্তু এই কথা নিশ্চয়ে স্পষ্ট যে ঈছাই তেওঁৰ সলীবি মৃত্যু আৰু জগতৰ নাজাতদাতা স্বৰূপে পুনৰুত্থানৰ কথা পূৰ্ব্বেই জানিছিল আৰু হঠাতে ক্ষমতা পোৱা মানুহৰ দৰে কোনো আক্ৰমণৰ আলচ কৰা নাছিল। আসন্ন ঘটনাবোৰে ঈছাক তেওঁৰ চাহাবাসকলৰ পৰা আঁতৰাই নিব আৰু মোনা, জোলোঙা আৰু তৰোৱাল কিনিবলৈ দিয়া তেওঁৰ বুজনি, তেওঁ যোৱাৰ পাছত নিজৰ জীৱিকা নিজে আৰ্জিবলৈ সাজু হবলৈ তেওঁ তেওঁলোকক চলিত ভাষাত দিয়া উপদেশ আছিল।

দীদাতৰ নিস্ফল আক্ৰমণৰ বিষয় প্ৰসঙ্গৰ কেন্দ্ৰ হৈছে এই যুক্তিটো যে এসপ্তাহৰ আগতে তেওঁক মছীহ বুলি সম্বোধন কৰি চাহাবাসকলৰ মাজত যিৰূচালেমত ঈছাৰ প্ৰবেশ, যিৰূচালেমৰ বিৰুদ্ধে তেওঁৰ যুদ্ধ-যাত্ৰা আছিল। তেওঁ ঠিক এইকেইটা শব্দ ব্যৱহাৰ কৰিছে: " যিৰূচালেমৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা প্ৰজ্বলিত হৈ মাৰ গল"। (দীদাত,"সলীৰ মৃত্যু ? অথবা সলীৱৰ উপকথা ? ", ২১ পৃ:)।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

যিৰূচালেমলৈ যুদ্ধ-যাত্ৰা শিৰোনামাৰ তলত দীদাতে কবুল কৰিছে যে ঈছাই খোলাখুলিকৈ গাধৰ পিঠিত উঠি নগৰখনত সোমাইছিল। আক্ৰমণৰ বাবে নিশ্চয়ে এইটো আটাইতকৈ অনুপযুক্ত যাতায়তৰ বাহন আছিল! ঈছাই স্পষ্টই এই বাহন বাচি লৈছিল কাৰণ গাধই শান্তি আৰু নম ? তা নিদৰ্শন কৰে আৰু তেওঁ যিৰূচালেমক দেখুৱাব বিচাৰিছিল যে তেওঁ শান্তিৰ সৈতে আহিছে আৰু কেইবাশ শতিকাৰ আগতে আন এটা নবুৱতীত লিখি থোৱা খোদাৰ এই প্ৰতিজ্ঞা সিদ্ধ কৰিছে:

"হে চিয়োন জীয়াৰী, অতিশয় উল্লাস কৰা, হে যিৰূচালেম জীয়াৰী, জয়ধ্বনি কৰা; চোৱা, তোমাৰ ৰজা তোমাৰ ওচৰলৈ আহিছে; তেওঁ ন্যায়, পৰিত্ৰাণযুক্ত আৰু নম্ৰ; তেওঁ গাধত, গাধীৰ পোৱালিতেই উঠি আহিছে"। ( জখৰিয়া ৯·৯)।

তেওঁৰ উদ্দেশ্যক নিদৰ্শনৰূপে দেখুৱা জন্তুৰ ওপৰত উঠি তেওঁ শান্তি আৰু নম্ৰতাৰে আহিছিল। "তেওঁ জাতিবিলাকক শান্তিৰ কথা কব", বুলি নবুৱতীত প্ৰকাশ্ৰ। (জখৰিয়া ৯·১০)। ঈছাই "যুদ্ধযাত্ৰা" পৰিচালনা কৰিছিল বা আজিৰ যুগৰ মানুহে কবৰ দৰে প্ৰৱল "সশস্ত্ৰ সংগ্ৰাম"ৰ উচটনি দিছিল বুলি বুজাব খোজাটো দেখাদেখিকৈ অযুক্তিকৰ।

দীদাতে সুবিধামতে এই কথাটো আওকান কৰিছে যে সেই ৰাতিয়েই ঈছাক আটক কৰিবলৈ উদ্যত হওতে তেওঁৰ চাহাবাসকলে চিঞৰি উঠিছিল, "হে প্ৰভু, আমি তৰোৱালেৰে আঘাত কৰিম নে ? " (লূক ২২·৪৯)। তেওঁলোকৰ এজনে মহা-ইমামৰ এজন দাসক আঘাত কৰি কাণ কাটি পেলাইছিল, কিন্তু ঈছাই লগে লগে তেওঁক গৰিহণা দিছিল আৰু আঘাত পোৱা মানুহজনক সুস্থ কৰিছিল। সকলো সাক্ষ্যই দেখুৱায় যে তেওঁ কোনো বিধ্বংসী আক্ৰমণৰ ষড়যন্ত্ৰ কৰা নাছিল, কিন্তু মানৱ জাতিৰ গুণাহৰ বাবে তেওঁৰ আসন্ন দুঃখ-ভোগ আৰু সলীবি মৃত্যুত জগতৰ আগত তেওঁৰ প্ৰেমৰ সেই উচ্চতম ইচাৰা প্ৰদৰ্শন কৰিবলৈ তেওঁ সাজু হৈছিল। ওপৰত উল্লেখ কৰা সেই একেখন পুস্তকতে আমি পঢ়িবলৈ পাওঁ যে আল্লাহেএবাৰ প্ৰতিজ্ঞা কৰিছিল:"মই এই দেশৰ অপৰাধ একে দিনাই গুচাম"। ( জখৰিয়া ৩·৯)।





পাতিলে"। (ইউহোন্না ১৯·৭)।

মুছলমানসকলে আজিলৈকে এই বিবাদৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰে আৰু অভিযোগ কৰে যে মছীহিসকলে ঈছা মছীহক ইব'নুল্লাহলৈ পৰিণত কৰিছে। কিন্তু ইহূদীসকলে এই দাবী তেওঁৰ চাহাবাবিলাকৰ ওপৰত অবাঞ্ছিতৰূপে জাপি দিয়াৰ প্ৰশ্ন নুঠে যেতিয়া ঈছাই নিজে তেওঁলোকৰ আগত এইদৰে স্বীকাৰ কৰিছিল। "সি নিজকে নিজে 'ইব'নুল্লাহ' পাতিলে", তেওঁলোকে চিঞৰিছিল আৰু এই কাৰণেই ঈছাই আল্লাহৰ-নিন্দা কৰিছে বুলি তেওঁলোকে গৰিহণা দিছিল। যি হওক, তেওঁৰ পুনৰুত্থানৰ দ্বাৰাই আল'লাই সকলো মনুষ্যকে আশ্বাস দিছিল যে ঈছাই দাবী কৰাৰ দৰেই তেওঁ সঁচাকৈয়ে আল্লাহৰ নিজৰ প্ৰিয় পুত্ৰ আছিল (ৰোমীয়া ১·৪)।

দীদাতে একে ধৰণৰ আৰু এটা আচহুৱা দাবী কৰিছে যেতিয়া তেওঁ কৈছে যে "যি কোনো মছীহি পণ্ডিতে নিশ্চিত কৰিব" যে ইঞ্জিলবোৰ ঈছাৰ সময়ৰ কেইবা শতিকাৰ পাছতহে লিখা হৈছিল। সকলো গুণী বাইবেলৰ পণ্ডিতৰ মাজত সাধাৰণতে গ্ৰহণ কৰি লোৱা হৈছে যে মথি, মাৰ্ক আৰু লূকৰ ইঞ্জিল কেইখন প্ৰায় ৫৫-৬০ খৃষ্টাব্দত (ঈছাৰ পুনৰুত্থানৰ পাছত ৩০ বছৰতকৈও কম সময়ৰ ভিতৰত) আৰু ইউহোন্নাৰ ইঞ্জিল ৭০ খৃষ্টাব্দৰ ভিতৰত লিখা হৈছিল। অতিশয় পক্ষপাতমূলক "পণ্ডিতেহে" বেলেগ ধৰণৰ পৰামৰ্শ দিব আৰু আনকি শত্ৰুভাৱাপন্ন সমালোচকেও এই দিনাংক গ্ৰহণ কৰি লৈছে। যেতিয়া ১২০ খৃষ্টাব্দৰ সময়ৰ পাণ্ডুলিপিৰ টুকুৰা এতিয়াও আছে আৰু ৰছুলসকলৰ যুগৰ ঠিক পাছৰ প্ৰজন্মৰ আদি মছীহিসকলৰ লেখনিত ইঞ্জিলৰ পৰা উদ্ধৃতি পোৱা যায়, ইঞ্জিলবোৰ তেনেহলে কেনেকৈ কেইবা শতাব্দীৰ পাছত লিখা হব ?

দীদাতে এটি অতিশয় দুৰ্ভাগ্যজনক মন্তব্য কৰিছে যেতিয়া তেওঁ আন এঠাইত কৈছে "মছীহি ধৰ্ম্মত নাজাত সস্তীয়া" (৬১ পৃ:)। আমাৰ সন্দেহ হয় ইব্ৰাহিমে তেওঁৰ পুত্ৰক আল্লাহলৈ দান কৰাৰ আগ্ৰহক মুছলমানসকলে "সস্তীয়া" কোৰবানী বুলি ধৰিব জানো ? তেন্তে, আমাৰ গুনাহৰ বাবে আল্লাহে তেওঁৰ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

ভঙা হব আৰু তেওঁৰ তেজ বোওৱা হব (মথি ২৬· ২৬-২৮), যে জগতে জীয়াই থাকিবৰ নিমিত্তে তেওঁ তেওঁৰ জীৱন দান কৰিব (ইউহোন্না ৬·৫১), আৰু নিজৰ জীৱন এৰি দিবলৈ আৰু তাক পুনৰায় লবলৈ তেওঁৰ ক্ষমতা আছে (ইউহোন্না ১০·১৮)। তেওঁৰ আসন্ন সলীৱি মৃত্যুৰ বিষয়ে ঈছাই একো নাজানিছিল বুলি কোৱাটো নিশ্চয়ে মূৰ্খতা। বৰঞ্চ, তেওঁৰ জীৱনৰ এই চৰম পৰিণতিৰ মূহুৰ্ত্তৰ সন্মুখীন হওঁতে, যেতিয়া জগতৰ ত্ৰাণকৰ্ত্তাৰ ৰূপত তেওঁ মানবজাতিক উদ্ধাৰ কৰিব আৰু অনেকে অনন্ত জীৱনত প্ৰবেশ কৰিবৰ বাবে পথ সাজু কৰিব, তেতিয়া তেওঁ ঘোষণা কৰিছিল, "এই কাৰণেহে মই এই সময়লৈ আহিলোঁ" (ইউহোন্না ১২·২৭)। তেওঁৰ বাবে ৰৈ থকা সেই চৰম পৰিণতিৰ বিষয়ে তেওঁ ইমান জাগ্ৰত আছিল যে তেওঁ সকলো সময়তে তাক "মোৰ সময়" (ইউহোন্না ২·৪; ইউহোন্না ৭·৬) বুলি কৈ আছিল। "সময় আহিল, মানুহজনো আহিল" – এই কথাষাৰ আন কোনো মানুহৰ ক্ষেত্ৰতে ইমান সঁচাকৈ প্ৰযোজ্য নহয়। জগতৰ পৰিত্ৰাণৰ সময় হৈছিল আৰু আল্লাহে তাক সফল কৰিব পৰা একমাত্ৰ ৰছুলজনক পঠাইছিল তেওঁ – ঈছা-আল-মছীহ।

দীদাতে একে ধৰণৰ শিথিল উক্তি এটা কৰিছে যেতিয়া তেওঁ কৈছে যে বাইবেলত "ইব্‌নুল্লাহ" খিতাপটো "ইহূদী ধৰ্ম্মতত্ত্বত আন এটি অনুপকাৰী অভিব্যক্তি" (২৫ পৃ:)। তাৰ বিপৰীতে, যিদৰে মুছলমানসকলে কঠোৰ একত্ত্ববাদ মানে যাৰ বাবে আল্লাহৰ পুত্ৰ থাকিব নোৱাৰে বুলি মনা হয়। ঠিক একেদৰে সেই সময়ৰ ইহূদীবিলাকে আৰু আজিলৈকে সেই ধাৰণাটো সম্পূৰ্ণৰূপে প্ৰত্যাখান কৰে। যেতিয়া প্ৰধান ইমামে ঈছাক তেওঁ 'ইব্‌নুল্লাহ' নে কি বুলি সুধিছিল, ঈছাই উত্তৰ দিছিল, "মই হওঁ" (মাৰ্ক ১৪·৬২)। দীদাতে দাবী কৰাৰ দৰে এয়া যদি এক "অনুপকাৰী অভিব্যক্তি" আছিল, প্ৰধান ইমামে নিশ্চয় কোনো গুৰুত্ব নিদিলেহেঁতেন, কিন্তু তেওঁ লগে লগে চিঞৰি উঠিছিল, "ই আল্লাহৰ-নিন্দা কৰিলে" (মথি ২৬·৬৫)। ঈছাই পীলাতৰ আগত থিয় দিওঁতে ইহূদীবিলাকে চিঞৰিছিল:

"আমাৰ এক শৰীয়ত আছে, সেই শৰীয়তৰ মতে তাৰ প্ৰাণদণ্ড হোৱা উচিত; কিয়নো সি নিজকে নিজে 'ইব্‌নুল্লাহ'



"মছীহৰ সলীৱ মৃত্যুঃ এটি বাস্তৱ তথ্য, উপকথা নহয়।"

সেই দিন আহি পাইছিল আৰু সেই নিৰূপিত শুক্ৰবাৰে জগতৰ গুণাহবোৰ গুচোৱাৰ দ্বাৰাই "অনন্তকালস্থায়ী নাজাত উপাৰ্জ্জন কৰিবলৈ" (ইব্ৰী ৯·১২), যিহৰ বাবে তেওঁ আহিছিল, তাৰবাবে ঈছাই নিজকে প্ৰস্তুত কৰিছিল।

ঈছাই নিষ্ফল হোৱা আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল বোলা মতবাদটো তেওঁৰ ক্ষমাশীল মৰ্য্যদাত এক স্পষ্ট আঘাত আৰু ঘৃণনীয় বিকৃত আকাৰ প্ৰকট কৰিছে যিটো তেওঁক মানৱ জাতিৰ মাজত এজন শ্ৰেষ্ঠ লোক বুলি বিশ্বাস কৰা মানুহ এজনৰ পৰা আশা কৰা নাযায়।

দীদাতে কেতিয়াও মিলিটেৰী প্ৰশিক্ষণ লোৱা নাছিল আৰু তেওঁৰ পুথিৰ ১৪ পৃষ্ঠাত এই ক্ষেত্ৰত তেওঁৰ অজ্ঞানতা ওলাই পৰিছে য'ত তেওঁ উনুকিয়াইছে যে ঈছাই গেৎচিমানীবাৰীলৈ তেওঁৰ লগত পিতৰ, য়াকোব আৰু ইউহোন্না প্ৰতিৰক্ষাৰ বাবে লৈ গৈছিল আৰু আঠজনক দুৱাৰমুখত পহৰা দিবলৈ থৈছিল। তেওঁ জোৰ দি কব বিচাৰিছে যে "ইংলেণ্ডৰ এক প্ৰমুখ্য মিলিটেৰী একাডেমী 'চেণ্ডহাৰ্ষ্ট'ৰ যি কোনো বিষয়ালৈ সুনাম আনিব পৰাকৈ" ই এটা সুনিপুণ কৌশল আছিল (১৪ পৃ:)। বৃটিচ সৈন্যবাহিনীৰ এজন প্ৰাক্তন বিষয়াই মোৰ আগত এই দাবীটোৰ বিষয়ে মন্তব্য কৰিছিল যে তেনেকুৱা কাৰ্য্য 'চেণ্ডহাৰ্ষ্ট'ত শিকোৱা হয় বুলি তেওঁ কেতিয়াও শুনা াই! ঈছাই দুৱাৰমুখত এৰি থৈ যোৱা আঠজন চাহাবাৰ বিষয়ে এইদৰে কৈছে: "তেওঁ চোতাললৈ সোমোৱা দুৱাৰমুখত তেওঁলোকক কৌশলৰে অবস্থান কৰিছে: পৰিস্থিতিয়ে অনুমতি কৰিব পৰাৰ দৰে অস্ত্ৰেৰে সুসজ্জিত হৈ"। (দীদাত,"সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?", ১৪ পৃ:)।

তেওঁ আৰু কৈছে যে ঈছাই তেওঁৰ অন্তৰস্থ প্ৰতিৰক্ষা প্ৰস্তুত কৰিবলৈ পিতৰ, য়াকোব আৰু ইউহোন্না, "এই উদ্যোগী উগ্ৰ ধৰ্ম্মপন্থীসকলক (তেওঁলোকৰ দিনৰ যুদ্ধত লিপ্ত আইৰিছ' লোক)", তেওঁ লৈ গৈছিল (১৪ পৃ:)। সুক্ষ্ম বিশ্লেষণত এই যুক্তি থৰক বৰক হৈছে। পিতৰ, য়াকোব আৰু ইউহোন্না গালীলৰ শান্তিপ্ৰিয় মাছমৰীয়া আছিল (ঈচাৰ চাহাবসকলৰ ভিতৰত কেৱল এজনেই উগ্ৰ ধৰ্ম্মপন্থী আছিল আৰু সেইজন এই তিনিজনৰ মাজত নাছিল – লূক ৬·১৫) আৰু তেওঁৰ পৰিচৰ্য্যাৰ গোটেই



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

সময়চোৱাত তেওঁলোকেই তেওঁৰ নিকটতম চাহাবা আছিল। তেওঁ অন্য ৰূপ ধৰোতে এই একে কিজন চাহাবাই তেওঁৰ লগত পৰ্ব্বতৰ ওপৰলৈ উঠি গৈছিল আৰু বাকী কেইজনে থকা মানুহৰ জাকৰ লগত মিলি তলত আছিল (মথি ১৭·১, ১৪-১৬)। একেদৰে, যায়ীৰৰ জীয়েকক জীউৱাৰ সময়ত তেওঁ এই তিনিজন চাহাবাকে তেওঁৰ লগত লৈ ঘৰৰ ভিতৰত সোমাইছিল (লূক ৮·৫১)। উপযুক্ত ঘটনাৰ সময়ত তেওঁ প্ৰায়ে পিতৰ, য়াকোব আৰু ইউহোন্না, এই তিনিজন চাহাবাক অতি বিশ্বাসত লৈছিল। ইয়াৰ পৰা স্পষ্টকৈ দেখা যায় যে ঈছাই তেওঁলোকক গেৎচিমানীবাৰীৰ ভিতৰলৈ লৈ যাওঁতে তেওঁ কোনো কৌশলপূৰ্ণ প্ৰতিৰক্ষাৰ মতলব কৰা নাছিল। বৰঞ্চ, আন এটা জৰুৰী ঘটনাৰ সময়ত তেওঁ আকৌ তেওঁৰ আটাইতকৈ অন্তৰঙ্গ চাহাবাৰ সঙ্গৰ হাবিয়াহ কৰিছিল। এই সকলোবোৰ কথাই চূড়ান্তভাৱে দেখুৱায় যে ঈছাই হঠাৎ আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল বোলা মতবাদটোৰ কোনো সাত্যতা নাই।

## ২। দীদাতৰ পুথিত ঈছাৰ প্ৰতিকৃতি

দীদাতৰ পুথিৰ এক আশ্চৰ্য্যজনক বস্তু হৈছে তেওঁ ঈছা মছীহৰ ব্যক্তিত্বৰ ব্যংগাত্মক ৰূপ আগবঢ়াইছে। সঁচাকৈয়ে আঁচৰিত, কাৰণ মুছলমানসকলে ঈছাক 'মছীহ' আৰু আল্লাহৰ এজনা মহান ৰছুল বুলি সন্মান কৰিব লাগে। তেওঁৰ পুথিৰ দুই এটা উক্তি মছীহিসকলৰ বাবে বেছ আক্ৰমণাত্মক লগতে ঈছাক সন্মান আৰু মৰ্য্যদাৰ লোক বুলি শ্ৰদ্ধা কৰিবলৈ শিকা মুছলমানসকলক নিশ্চয়ে আঘাত দিছে। গতিকে এইটো আঁচৰিত হবলগীয়া কথা নহয় যে এসময়ত (১৯৮৫ চনৰ আগভাগত) দক্ষিণ আফ্ৰিকাৰ প্ৰকাশনৰ সঞ্চালকে দীদাতৰ পুথিখনক "অবাঞ্ছনীয়" বুলি ঘোষনা কৰিছিল। এঠাইত তেওঁ কৈছে:

ঈছাই তেওঁৰ চাহাবাসকলৰ অধিক ভাৱপ্ৰৱনতাক ৰোধ কৰিবলৈ ফৰীচীসকলে কৰা সাৱধানবাণীক গুৰুত্ব দিয়াত অকৃতকাৰ্য্য হৈছিল (লূক ১৯:৩৯)। তেওঁৰ গণনাত ভুল হৈছিল। এতিয়া তেওঁ অকৃতকাৰ্য্যতাৰ মূল্য দিব লাগিব। (দীদাত,"সলীৱ





তেওঁলোকৰ বাইবেল ভালদৰে জানে আৰু তেওঁৰ দুঃসাহসত কেৱল আশ্চৰ্য্য প্ৰকাশ কৰিব পাৰে। আৰম্ভণ কৰিবলৈ তেওঁ তেওঁৰ পুথিত কৈছে: ওপৰ কোঠালীত "অস্ত্ৰ তুলি লবলৈ" আহ্বাণ কৰা আৰু গেৎচিমানীত দাম্ভিকতাৰে সৈন্যবল সাজু কৰোৱা আৰু দয়ালু আল্লাহৰ আগত তেজৰ ঘাম বোৱা মুনাজাত কৰাৰ পৰা দেখা যায় যে ঈছাই তেওঁক সলীৱত দিয়া চুক্তিৰ বিষয়ে একো নাজানিছিল।

(দীদাত,"সলীৱ মৃত্যু ? অথবা সলীৱৰ উপকথা ? " ১৬ পৃ:)।

ঈছাই তেওঁক সলীৱত দিয়াৰ বিষয়ে একো নাজানিছিল বোলা শেষৰ উক্তিটো এটা ভ্ৰম, যিটো তাৰ বিপক্ষে থকা অতিৰিক্ত তথ্যক অমান্য কৰি আগবঢ়োৱা হৈছে। তলত দিয়াৰ দৰে উক্তিবোৰত ঈছাই বাৰে বাৰে তেওঁৰ চাহাবাসকলক কৈছিল যে তেওঁক সলীৱত দি হত্যা কৰা হব আৰু তৃতীয় দিনা তেওঁ আকৌ উঠিব:

"মানুহৰ পুত্ৰই অনেক দুখ ভোগ কৰিব লাগিব আৰু বৃদ্ধলোক, প্ৰধান ইমাম আৰু অধ্যাপকসকলৰ দ্বাৰাই তেওঁ অগ্ৰাহ্য আৰু হত হৈ, তৃতীয় দিনা উত্থিত হব লাগিব"। (লূক ৯·২২)।

"চোৱা, আমি যিৰূচালেমলৈ যাত্ৰা কৰিছোঁ; তাতে ইব্‌নে আদমক প্ৰধান ইমাম আৰু অধ্যাপকসকলৰ হাতত শোধাই দিয়া হব; তেওঁবিলাকে তেওঁৰ প্ৰাণদণ্ডৰ আজ্ঞা দিব; বিদ্ৰূপ কৰি আৰু চাবুকেৰে কোবাই সলীৱত দিবলৈ, অ-ইমানদাৰসকলৰ হাতত শোধাই দিব; আৰু তিন দিনৰ দিনা তেওঁক তোলা হব"। (মথি ২০· ১৮-১৯)।

তেওঁক যেতিয়া যথাযথভাৱে মৃতবিলাকৰ মাজৰ পৰা তোলা হ'ল, তেওঁ তেওঁৰ চাহাবাবিলাকক তেওঁ তেওঁলোকক কোৱা কথাবোৰ আৰু আগৰ নবীসকলে কৰা নবুৱতীবোৰ 'তেওঁক হত্যা কৰা হব আৰু তিনি দিনৰ দিনা তেওঁ উঠিব', বিশ্বাস নকৰাৰ বাবে গৰিহণা দিছিল (লূক ২৪· ২৫-২৬, ৪৬)। অনেক সময়ত তেওঁ স্পষ্ট কৰি দিছিল যে পৃথিবীলৈ তেওঁ অহাৰ এইটোৱেই একমাত্ৰ কাৰণ। তেওঁ তেওঁলোকক কৈছিল যে অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈ তেওঁ আহিছে (মথি ২০·২৬), যে তেওঁলোকৰ গুণাহৰ ক্ষমাৰ বাবে তেওঁৰ শৰীৰ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

সকলোৰে সংযুক্ত সাক্ষ্য এই আছিল যে ঈছা জীৱিত কাৰণ তেওঁ সঁচাকৈয়ে পুনৰুত্থিত হৈছিল। “তেওঁ উঠিল”(মাৰ্ক ১৬·৬) – এয়ে সেইদিনাৰ বিশ্বজনীন সাক্ষ্য আছিল। তেওঁ মৃতবিলাকৰ মাজৰ পৰা জীৱিত হৈ উঠিছিল আৰু মৃত্যুৰ সকলো ক্ষমতা জয় কৰিছিল। মানুহৰ বাবে তেওঁৰ সৈতে জীৱনৰ নতুনতালৈ উঠিবলৈ (ৰোমীয়া ৬·৪) আৰু মৃত্যু আৰু পাপৰ ওপৰত জয় লাভ কৰি তেওঁৰে সৈতে অনন্ত জীৱনলৈ উঠিবলৈ (১ কৰিন্থীয়া ১৫·৫৫-৫৭) তেওঁ সম্ভৱ কৰিছিল। তেওঁ নিজৰ উক্তি সিদ্ধ কৰিছিল:

*“ময়েই পুনৰুত্থানো আৰু জীৱনো; যি কোনোৱে মোত বিশ্বাস কৰে, তেওঁ মৰিলেও জীব; আৰু যি কোনোৱে জীয়াই থাকি মোত বিশ্বাস কৰে, তেওঁ কেতিয়াও নমৰিব”*। ( ইউহোন্না ১১·২৫)।

দীদাতৰ সমস্ত যুক্তি-তৰ্ক ইঙ্গিলত বৰ্ণনা কৰা সেই গৌৰৱপূৰ্ণ ঘটনাৰ এক পুতৌজনক বিকৃত আকাৰ মাথোন। ঈছাই সলীৱৰ পৰা জীৱন্ত নামি আহিছিল আৰু কেনেবাকৈ সুস্থ হৈছিল - তেওঁৰ এই যুক্তিক আমি চমু আলোচনা কৰাৰ দ্বাৰাই কোনো সন্দেহ নোহোৱাকৈ প্ৰমাণ কৰিছোঁ যে তেওঁ যি কৈছে তাত কোনো সাত্যতা নাই। তেওঁ আগবঢ়োৱা ভ্ৰমজনক যুক্তিয়ে আমাক এই সিদ্ধান্তলৈ আনিছে যে তেওঁ তেওঁৰ “সলীৱি উপকথাৰ মতবাদ” প্ৰমাণ কৰিবলৈ অপাৰগ হৈছে, কাৰণ তেওঁ এক “অনুচিত” কেন্দ্ৰৰ পৰা আহিছে!

## ৫। দীদাতৰ পুথিত ভিত্তিহীন উক্তিবোৰ

দীদাতৰ পুথিখন পঢ়ি যাওঁতে মোৰ মনত বাৰে বাৰে খুন্দা মৰা কথাটো হ'ল কোনো সুবিবেচনা আৰু কত্তৃত্ব নথকা ভিত্তিহীন উক্তিবোৰ তেওঁৰ অপ্ৰতিৰোধী দস্তুৰ। ভাব হয় যেন তেওঁ মুছলমানসকলৰ বাইবেলৰ বিষয়ে অনভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিছে আৰু আশা কৰিছে তেওঁৰ পাঠকসকলে তেওঁ যি কয় তাকেই কোনো প্ৰশ্ন নকৰাকৈ গ্ৰহণ কৰিব। তেওঁ নিশ্চয়ে মছীহি পাঠকক পতিয়ন নিয়াবলৈ চেষ্টা কৰা নাই, যিসকলে





মৃত্যু ? অথবা সলীৱৰ উপকথা ?”, ১০ পৃ:)

আন এঠাইত তেওঁ কৈছে যে “ঈছাই গণনাত দুগুণ ভুল কৰিছিল” (১৯ পৃ:) এই কথাত যে তেওঁ ভাবিছিল তেওঁক ৰক্ষা কৰিব বুলি তেওঁ তেওঁৰ চাহাবাসকলৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিব আৰু তেওঁ কেৱল ইহূদীসকলৰ লগতহে মোকাবিলা কৰিব লাগিব। ঈছাক অপযশ দিবলৈ তেনে অভিযোগেই যেন যথেষ্ট নহয়, তেওঁ “ঈছাৰ তপত আৰু চেঁচা মনোভাবৰ” বিষয়ে আৰু কবলৈ গৈছে। এইদৰে তেওঁৰ অপবাদৰ পৰিমাপ পূৰ্ণ কৰিছে: “যুক্তিৰে দৃঢ় প্ৰতিপন্ন কৰিব পাৰি যে ঈছা মছীহ “আল্লাহৰ ৰছুলসকলৰ ভিতৰত আটাইতকৈ দুৰ্ভগীয়া আছিল”। (দীদাত,“সলীৱ মৃত্যু ? অথবা সলীৱৰ উপকথা ?”, ২৩ পৃ:)

আমি নিশ্চিত যে মুছলমানসকলেও তেনে উক্তিবোৰ অতি আক্ৰমণাত্মক বুলি গণ্য কৰিব। মছীহিসকলে সেইবোৰ আল্লাহৰ কালামৰ নিন্দাপূৰ্ণ বুলি গণ্য কৰিবলৈ সংকোচ নকৰে। যি কি নহওঁক, আৱেগিক প্ৰতিবাদ প্ৰকাশ কৰাটো আমাৰ কামনা নহয়, কিন্তু দীদাতৰ দাবী যে কিমান মূৰ্খ তাক দেখুৱাটোহে আমাৰ ইচ্ছা।

সলীৱত দিয়াৰ আগতে ঈছাৰ জীৱনৰ সেই অন্তিম ক্ষণকেইটা ওপৰে ওপৰে নিৰীক্ষণ কৰিলেই দেখা যায় যে ঈছাই “ভুলকৈ গণনা কৰিছিল” বা তেওঁৰ মনোভাব কেতিয়াবা “তপত আৰু চেঁচা” হৈছিল বোলা দাবীত কোনো সত্যতা নাই। কাৰণ ঈছাই তেওঁৰ চাহাবাসকলৰ লগত থকা শেষ নিশা কোৱা সকলো কথাৰ এটাই বৈশিষ্ট্য আছে যে তেওঁৰ জীৱনত কি কি সংঘটিত হব তাৰ সম্পূৰ্ণ সচেতনতা আৰু তাক ভোগ কৰিবলৈ তেওঁৰ আগ্ৰহ।

তেওঁ জানিছিল যে ইস্কৰিয়োতীয়া ইহূদাই তেওঁক বিশ্বাসঘাতকতা কৰিব (মাৰ্ক ১৪:১৮)। দৰাচলতে ইউহোন্না ৬:৬৪ আয়াতৰ পৰা জনা যায় যে তেওঁ এই কথা বহুত দিন আগৰে পৰা জানিছিল) আৰু পিতৰে তেওঁক তিনিবাৰ অস্বীকাৰ কৰিব (মথি ২৬:৩৪)। তেওঁ ভৱিষ্যদ্বাণী কৰিছিল যে তেওঁক আটক কৰা হব আৰু তেওঁৰ সকলো চাহাবাই তেওঁক পৰিত্যাগ কৰিব (মাৰ্ক ১৪:২৭)। তেওঁৰ চাহাবাসকলে তেওঁৰ বাবে যুঁজ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

কৰিব বুলি ঈছাই আশা কৰিছিল আৰু তেওঁৰ "গণনাত ভুল হৈছিল" বোলা দীদাতৰ দাবীৰ আমি কোনো সত্যতা বিচাৰি নাপাওঁ। কাৰণ শাস্ত্ৰৰ এই অংশবোৰে যথেষ্ট স্পষ্টকৈ দেখুৱায় যে কি কি ঘটিব তাক ঈছাই সঠিকভাৱে গণনা কৰিছিল, কাৰণ তেওঁৰ চাহাবাসকলে যি কৰিব বুলি কৈছিল তেওঁলোকে সকলো ঠিক সেইদৰেই কৰিছিল।

তেওঁ সেই অন্তিম নিশা তেওঁলোকক বাৰে বাৰে কৈ আছিল যে তেওঁ তেওঁলোকৰ পৰা অলপ পাছতে বিচ্ছেদ হব (ইউহোন্না ১৩:৩৩, ১৪:৩, ১৪:২৮, ১৬:৫) আৰু তেওঁলোকে নিৰাশ হব নালাগে, কাৰণ তেওঁৰ সম্পূৰ্ণ দুখ-ভোগ আগৰ নবীসকলে কৰা নবুৱতীবোৰৰ মতেই হব (লূক ২২:২২)। অৱশেষত যেতিয়া ইহূদীসকল তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ আহিল, কোনো ধৰণৰ আত্মৰক্ষাৰ প্ৰস্তুতি কৰা দূৰৰ কথা, তেওঁ পোনে পোনেই তেওঁলোকৰ হাতত ধৰা দিলে। আমি পঢ়োঁ:

"নিজলৈ যি যি ঘটিব, ঈছাই সেই সকলোকে জানি, ওলাই গৈ তেওঁবিলাকক সুধিলে, "তোমালোকে কাক বিচাৰিছা"? তেওঁবিলাকে উত্তৰ দিলে, "নাচৰতীয়া ঈছাক"। ঈছাই তেওঁবিলাকক কলে, "ময়েই সেইজন"। তেওঁক শত্ৰুৰ হাতত শোধাই দিয়া ইহূদাও তেওঁবিলাকে সৈতে থিয় হৈ আছিল"। (ইউহোন্না ১৮:৪-৫)।

'নিজলৈ যি যি ঘটিব সেই সকলোকে জানি' ঈছাই আগবাঢ়ি আহিছিল। তেওঁ জানিছিল যে অলপ পাছতে তেওঁক সলীৱবিদ্ধ আৰু বধ কৰা হব, কিন্তু তৃতীয় দিনা তেওঁ পুনৰায় উঠিব, যিদৰে তেওঁ সহজ সৰল ভাষাত প্ৰায়ে ভৱিষ্যদ্বাণী কৰিছিল (মথি ১৭·২২-২৩; ২০·১৯; লূক ৯·২২; ১৮· ৩১-৩৩)। দৰাচলতে ইহূদীবিলাকৰ লগত মুকলি সংঘৰ্ষ হোৱাৰ কোনো প্ৰয়োজন নাছিল। ঈছাই আটক হোৱাৰ পৰা ৰক্ষা পাবলৈ হলে তেওঁ যিৰূচালেম এৰি গুচি গলেই হলহেঁতেন। তাৰ পৰিৱৰ্ত্তে তেওঁ ঠিক সেই ঠাইলৈকে গল য'ত ঈষ্কৰয়োতীয়া ইহূদাই তেওঁক বিচাৰি ইহূদীবিলাকক লৈ আনিব বুলি তেওঁ জানিছিল (ইউহোন্না ১৮·২) আৰু তেওঁলোক যেতিয়া আহিল, তেওঁ স্বেচ্ছাই নিজকে তেওঁলোকৰ হাতত শোধাই দিলে। তাৰোপৰি তেওঁক ৰক্ষা কৰিবলৈ তেওঁৰ এঘাৰজন চাহাবাৰ দুঃসাহসী প্ৰচেষ্টাৰ তেওঁৰ কোনো প্ৰয়োজনেই নাছিল, কাৰণ তেওঁ স্পষ্টৰূপে সাক্ষ্য দিছিল





মিলাবলৈ অতি কষ্টেৰে কৰা দীদাতৰ প্ৰচেষ্টাই স্ব-প্ৰমাণ যে তেওঁৰ যুক্তি-তৰ্কত কোনো সাৰ নাই।

শেষতে, তেওঁৰ পুথিৰ ৫০ পৃষ্ঠাত তেওঁ কৰা চাৰিটা উক্তি আমি চাম, য'ত তেওঁ আঙুলিয়াই দিছে যে বহুতো মানুহে সাক্ষ্য দিছিল যে পুনৰুত্থানৰ দিনা তেওঁ জীৱিত আছিল। এই শব্দটো গোটা আখৰেৰে, তলত আঁচ মাৰি লিখা হৈছে আৰু প্ৰত্যেকবাৰতে তাৰ লগত লেখাত ব্যৱহাৰ কৰা আচৰিত চিনটো (!) দিয়া আছে। ই তেওঁৰ মতবাদ যে ঈছাই সলীৱত মৰা নাছিল কিন্তু তেতিয়াও জীয়াই আছিল। আমি এনে বিবেচনাত আচৰিত হওঁ, কাৰণ ইঞ্জিলত বৰ্ণনা কৰাৰ দৰে, মৃতবিলাকৰ মাজৰ পৰা পুনৰুত্থিত হোৱাৰ আচল বিষয়টোৱে হৈছে স্বয়ং এই কথাটো – যে ঈছাক মৃতবিলাকৰ মাজৰ পৰা জীৱিত ৰূপত তোলা হৈছিল। দীদাতে তেনেহলে কি প্ৰমাণ কৰিবলৈ বিচাৰিছে? ঈছা জীৱিত আছিল বুলি দিয়া সাক্ষ্যবোৰ সমস্ত মছীহি বিশ্বাসৰ কেন্দ্ৰবিন্দু যে সলীৱত তেওঁক হত্যা কৰাৰ পাছত ঈছা মৃতবিলাকৰ মাজৰ পৰা উঠিছিল।

লূক ২৪·৪-৫ পৰা উদ্ধৃতি দি দীদাতে কেৱল ফিৰিস্তাই মৰিয়ম আৰু আন নাৰীবিলাকক কোৱা কথাৰহে উল্লেখ কৰিছে, "তোমালোকে মৃতবিলাকৰ মাজত জীৱিত জনাক কিয় বিচাৰিছা?" উল্লেখযোগ্যভাৱে তাৰ পাছতে থকা এই বাক্যবোৰ তেওঁ এৰি গৈছে: *"তেওঁ গালীল দেশত থাকোঁতেই, এই যি কথা তোমালোকক কৈছিল বোলে, মানুহৰ পুত্ৰ পাপী লোকৰ হাতত সমৰ্পিত আৰু সলীৱত হত হৈ, তৃতীয় দিনা পুনৰায় উঠিব লাগিব, এই কথা সোঁৱৰা"*। ( লূক ২৪· ৬-৭)।

এই বাক্যবোৰত আমি ফিৰিস্তাই ঈছাই সলীৱত হত হোৱা আৰু তৃতীয় দিনা উঠাৰ কথা কোৱা স্পষ্টৰূপে দেখিবলৈ পাইছোঁ। স্পষ্টৰূপে তেওঁলোকে ঘোষনা কৰিছিল যে তেওঁ জীৱিত কাৰণ তেওঁ যথাযথভাৱে মৃতবিলাকৰ মাজৰ পৰা উঠিল। প্ৰায় একে কথাই যিৰূচালেমৰ ভাতৃসকলে ইম্মায়ুৰ চাহাবা দুজনক কৈছিল: *"নিশ্চয় প্ৰভু উঠিল; আৰু চিমোনক দেখা দিলে"*। (লূক ২৪·৩৪)।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

২০·১৯) আৰু ইচ্ছামতে নিজকে লুকাব আৰু প্ৰকাশ কৰিব পাৰিছিল।

গতিকে ইয়াত, “ছদ্মবেশ” ঈছাই গুচোৱা নাছিল। শাস্ত্ৰই স্পষ্টকৈ কৈছে “তেওঁলোকৰ চকু মুকলি” হৈছিল। হঠাতে তেওঁলোকে তেওঁ কোন হয় তাক দেখিবলৈ পাইছিল। একেদৰে আমি পঢ়িবলৈ পাওঁ যে পুনৰুত্থিত ঈছাই তেওঁৰ অনন্তকলীয়া শৰীৰত, তেওঁৰ প্ৰকৃত পৰিচয় দেখা পাবলৈ কেৱল মানুহৰ চকুৱেই মুকলি কৰা নাছিল, আনকি আল্লাহৰ প্ৰকাশিত কালামৰ অৰ্থ বুজিবলৈ তেওঁলোকৰ মনো মুকলি কৰিছিল (লূক ২৪·৪৫)।

তেওঁ যিদৰে হঠাতে কোঠাটোত আবিৰ্ভাৱ হৈছিল (লূক ২৪·৩৬), ঠিক সেইদৰে তেওঁ তেওঁলোকৰ চকুৰ আগৰ পৰা হঠাতে অদৃশ্যও হৈছিল। লূক ২৪ অধ্যায়ৰ বিৱৰণৰ নাটকীয় স্বভাৱক যুক্তি-সঙ্গতভাৱে ব্যাখ্যা কৰিব নোৱাৰি। এই গোটেই অধ্যায়টোৰ মূল বিষয় হৈছে মৃতবিলাকৰ মাজৰ পৰা ঈছাৰ পুনৰুত্থান (লূক ২৪·৪৬) আৰু এই উল্লেখনীয় ঘটনাটোৱে তেনেকুৱা নাটকীয় পৰিস্থিতিলৈ আগবঢ়াই লৈ গৈছিল।

ইঞ্জিলৰ বৃত্তান্তবোৰৰ সমস্ত বিষয় প্ৰসঙ্গ হৈছে ঈছাক সলীৱত দিয়া, তেওঁৰ মৃত্যু আৰু পুনৰুত্থান। তাৰ বিপৰীতে তৰ্ক কৰিবলৈ হলে যথেষ্ট পৰিমাণে শব্দৰ পাক দিব লগা হয়। তেনে এটা উদাহৰণ হৈছে দীদাতৰ পৰামৰ্শ যে ঈছাক এটা “ডাঙৰ, আহল-বহল কোঠাত” ৰখা হৈছিল (৭৯ পৃ:)। আটাই কেইখন ইঞ্জিলে স্পষ্ট ভাষাত শিকায় যে এইটো অৰিমাথিয়া নগৰৰ ইউছুফে বিশেষকৈ নিজৰ কবৰৰ ঠাই স্বৰূপে শিলৰ পৰা কাটি ওলিওৱা মৈদামৰ বাহিৰে বেলেগ একো নাছিল। মথি ২৭·৬০ত আমি পঢ়োঁ যে ইউছুফে ঈছাৰ দেহটো লৈ “নিজৰ যি ন মৈদাম শিলত খানিছিল, তাৰ ভিতৰত শুৱাই” থলে (মাৰ্ক ১৫·৪৬, লূক ২৩·৫৩ত একে কথাই লিখা আছে)। ইউহোন্না ১৯·৪১-৪২ত দুবাৰ কোৱা হৈছে যে ঈছাক এটা মৈদামত শুৱাই থোৱা হৈছিল আৰু ইহূদীবিলাকৰ কবৰ দিয়াৰ নিয়ম অনুসৰি কাপোৰেৰে মেৰোৱা হৈছিল। অন্ত্যেষ্টিক্ৰিয়াৰ এই বিৱৰণবোৰ দীদাতৰ নিজৰ কল্পনা যে ঈছাক এটা “ডাঙৰ, আহল-বহল কোঠাত” ৰখা হৈছিল যাতে তেওঁ “পুনৰ আৰোগ্য” হব পাৰে – তাৰ লগত





যে তেওঁ ইচ্ছা কৰা হলে তেওঁক সহায় কৰিবলৈ তেওঁ বাৰ বাহিনীতকৈও অধিক ফিৰিস্তাক মাতিব পাৰিলেহেঁতেন (মথি ২৬·৫৩)। কেৱল এজন ফিৰিস্তাৰে গোটেই নগৰ আৰু সৈন্যবাহিনী ধ্বংস কৰিব পৰা ক্ষমতা আছিল (২ চমূৱেল ২৪·১৬, ২ ৰাজাৱলি ১৯·৩৫) আৰু তেওঁক ৰক্ষা কৰিবলৈ বাৰ বাহিনী ফিৰিস্তাই কি কৰিব পাৰিলেহেঁতেন, তাক ভাবিলেও কঁপনি উঠে।

দীদাতৰ এই দাবীত কোনো সত্যতা নাই যে ঈছাই অভিসন্ধি আৰু ষড়যন্ত্ৰ কৰিছিল আৰু তেওঁৰ অৱমূল্যায়নৰ দ্বাৰাই অকৃতকাৰ্য্য হৈছিল। বৰঞ্চ, তেওঁলৈ কি কি ঘটিব তাক তেওঁ কিমান সঠিকভাৱে জানিছিল, তাক দেখা পোৱাটো অতি উল্লেখযোগ্য। “অকৃতকাৰ্য্য” হোৱাতো দূৰৰ কথা, তেওঁ জীৱিত মানুহসকলৰ ভিতৰত আটাইতকৈ কৃত্তি মানুহ হ'লগৈ – মৃতবিলাকৰ মাজৰ পৰা অনন্ত জীৱন আৰু গৌৰৱলৈ নিজকে জীৱিত কৰা একমাত্ৰ মানুহ। হজৰত মহম্মদে মৃত্যুক জয় কৰিব পৰা নাছিল আৰু ৬৩২ খৃষ্টাব্দত মদিনাত মৃত্যুৱে তেওঁৰ জীৱন শূন্যলৈ পৰিণত কৰিলে। আজিলৈকে তেওঁ তাৰ কবলত আছে। য'ত হজৰত মহম্মদ অকৃতাকাৰ্য্য হৈছিল তাত ঈছা কৃতকাৰ্য্য হৈছিল। তেওঁ “আমাৰ নাজাতদাতা মছীহ ঈছাৰ আবিৰ্ভাৱৰ দ্বাৰাই প্ৰকাশিত হল; তেওঁ মৃত্যুক লুপ্ত কৰি, শুভবাৰ্ত্তাৰ দ্বাৰাই জীৱন আৰু অক্ষয়তাক পোহৰলৈ আনিলে” (২ তীমথিয় ১·১০)। তেওঁ মৃত্যুৰ ওপৰত জয়যুক্ত হল আৰু বেহেস্তলৈ আৰোহণ কৰিলে য'ত তেওঁ চিৰকলীয়া ৰাজত্ব কৰি আছে। দীদাতৰ মতবাদ “আল্লাহৰ ৰছুলসকলৰ ভিতৰত ঈছা “আটাইতকৈ দুৰ্ভগীয়াজনা”ৰ সিমানতে অন্ত পৰিল- ইয়াৰ কোনো সত্যতা নাই। সত্যটো হৈছে এই জগতত জীয়াই থকা মানুহবিলাকৰ মাজত তেওঁ আটাইতকৈ মহানজনা।

এই কথা স্পষ্ট হৈ পৰিছে আৰু আমি আগবাঢ়ি গৈ থাকিলে আৰু স্পষ্ট হব যে দীদাতৰ পুথিখন শাস্ত্ৰৰ বাক্যৰ বিকৃতিৰ বাহিৰে আন একো নহয়। তেওঁৰ মতলবৰ বাবে কামত আহিব বুলি ভবা শাস্ত্ৰাংশবোৰৰ অৰ্থ পকাই তেওঁ মানুহক বিপথগামী কৰে আৰু তেওঁৰ মতবাদবোৰ খণ্ডন কৰা অন্যান্য শাস্ত্ৰাংশবোৰ সহজেই গোপন কৰি ৰাখে।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

৩। ঈছাৰ বিচাৰৰ সময়ত নিজকে ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল নে?

দীদাতে তেওঁৰ পুথিৰ ২৮ পৃষ্ঠাত যিচয়া ৫৩·৭ আয়াতৰ নবুৱতী এটাৰ বিৰোধিতা কৰি ঈছাৰ সলীৱি মৃত্যুৰ বিষয়ে ইঞ্জিলত থকা বৃতান্তৰ উলাই কৰিবলৈ চেষ্টা কৰিছে। এই নবুৱতীৰ মতে তেওঁ তেওঁৰ বিচাৰৰ সময়ত নিজকে ৰক্ষা কৰিবলৈ নিজৰ মুখ নেমেলিব কিন্তু "নোম-কটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ দৰে" তেওঁক সলীৱৰ গুৰিলৈ লৈ যোৱা হব। এই নবুৱতীৰ পৰা এই কথা বেছ স্পষ্ট যে ইয়াৰ অৰ্থ এই নহয় যে ঈছাক আটক কৰাৰ পাছত তেওঁ একো কথাকে নকব, বৰঞ্চ ইয়াকেহে বুজায় যে তেওঁৰ দুছ্‌মনবোৰৰ আগত তেওঁ নিজকে ৰক্ষা কৰিবলৈ চেষ্টা নকৰিব। দীদাতৰ সমস্ত যুক্তি ঈছাই কৰা কিছুমান উক্তিৰ ওপৰত নিৰ্ভৰ কৰিছে যিবোৰ তেওঁ ঈছাই তেওঁৰ দুছ্‌মনবোৰৰ আগত নিজকে ৰক্ষা কৰিবলৈ চেষ্টা কৰা বুলি দেখুৱাব খুজিছে।

দীদাতে ঈছাক ঠাট্টা কৰিবলৈ চেষ্টা কৰিছে যেতিয়া ঈছাই পীলাতৰ আগত তেওঁৰ ৰাজ্য এই জগতৰ নহয় বুলি কওঁতে তেওঁ "তেওঁৰ মুখ বন্ধ কৰি" কথা কৈছিল নে কি (ইউহোন্না ১৮·৩৬) বুলি কৈ, বা যেতিয়া তেওঁ মহা-ইমামৰ টেকেলা এজনক তেওঁ মিছা যদি কৈছে তাৰ প্ৰমাণ দিবলৈ মাতিছিল (ইউহোন্না ১৮·২৩), বা যেতিয়া তেওঁ আল্লাহৰ ওচৰত দোৱা কৰিছিল যে যদি সম্ভৱ তেওঁৰ সন্মুখত থকা দুখ-ভোগৰ পানপাত্ৰ যেন তেওঁৰ পৰা দূৰ কৰা হয় (মথি ২৬·৩৯)।

এইটো আঙুলিয়াই দিয়াৰ প্ৰয়োজন যে এই উক্তিবোৰৰ ভিতৰত এটাও ঈছাই মহা-ইমাম কায়াফাৰ গৃহত বহা মহাসভাত তেওঁৰ ৰাজহুৱা বিচাৰৰ সময়ত বা ৰোমীয় দেশাধিপতি পন্টিয়াচ পীলাতৰ আগত কৰা নাছিল। প্ৰথম উক্তিটো প্ৰিটৰিয়মত পীলাতৰ লগত ব্যক্তিগত কথোপকথন কৰোঁতে কৈছিল; দ্বিতীয়টো কায়াফাৰ শহুৰেক হাননৰ আগত ঈছাক হাজিৰ কৰোৱাৰ সময়ত কৈছিল, যিটো দীদাতে ভুলকৈ দেখুৱাব বিচৰাৰ দৰে (২৮ পৃ:) মহাসভাৰ আগত তেওঁৰ বিচাৰৰ সময়ত কোৱা





হলহেতেন, লগতে সেই ভয়ঙ্কৰ কঠোৰ পৰীক্ষাৰ পৰা যাতনাপূৰ্ণ আৰোগ্য লাভ কৰিবলৈ দীঘলীয়া সময় লাগিলহেঁতেন। মহিমাৰে আৰু সম্পূৰ্ণ সুস্থ অৱস্থাত তেওঁক উঠোৱাৰ দ্বাৰাই তেওঁক মৃত্যুৰ পৰা ৰক্ষা কৰাটো বিবেচক, ন্যায়সিদ্ধ আৰু প্ৰকৃততে ঈছাৰ সলীৱি মৃত্যুৰ শুদ্ধ বিৱৰণ।

আমি দীদাতৰ সেই তৰ্কবাদটোলৈ আগুৱাই যাওঁ যে সলীৱি মৃত্যুৰ পৰা বাচি ঈছাই ছদ্মবেশ ধাৰণ কৰিছিল যাতে কোনেও তেওঁক চিনিব নোৱাৰে। ইয়াক তেওঁ "নিখুঁত ছদ্মবেশ' বুলি কৈছে (৪৯ পৃ:)। তেওঁ উনুকিয়াইছে যে মৈদামৰ পৰা জীৱন্তে ওলাই অহাৰ দিনা ইম্মায়ুৰ পথত ঈছাই তেওঁৰ দুজন চাহাবাক লগ পাওঁতে (লূক ২৪·১৫), তেওঁলোকৰ আগত পিঠা ভঙাৰ সময়ত প্ৰকাশ নকৰালৈকে তেওঁ তেওঁৰ পৰিচয় লুকাই ৰাখিছিল আৰু তাৰপাছত তেওঁ গুচি গৈছিল। এই ঘটনাটোৰ যি নাটকীয় উপাদান আছে, তাৰ গুৰুত্ব কমাবলৈ চেষ্টা কৰাৰ বাহিৰে একো নহয়। সঠিক কি ঘটিছিল তাক উল্লেখ কৰিলে ভাল হব:

"পাছে তেওঁলোকে সৈতে ভোজন কৰিবলৈ বহিলত, তেওঁ পিঠা লৈ, আশীৰ্ব্বাদ কৰি, ভাঙি তেওঁলোকক দিলে। এনেতে তেওঁলোকৰ চকু মুকলি হোৱাত, তেওঁলোকে তেওঁক চিনি পালে আৰু তেওঁ তেওঁলোকৰ পৰা অদৃশ্য হল। পাছে তেওঁলোকে পৰস্পৰে কোৱাকুই কৰি কলে, "বাটত আহোঁতে তেওঁ যেতিয়া আমাৰ সৈতে কথোপকথন কৰিলে আৰু শাস্ত্ৰৰ অৰ্থ বুজাই দিলে, তেতিয়া আমাৰ অন্তৰত হৃদয় প্ৰজ্বলিত নহৈছিল নে?" ( লূক ২৪· ৩০-৩২)।

ইয়াত নাটক দ্ৰুতগতিত মেল খাইছে। হঠাতে তেওঁলোকৰ চকু মুকলি হৈছে আৰু তেওঁ তেওঁলোকৰ পৰা অদৃশ্য হৈছে! আমি যদি এই শাস্ত্ৰৰ অংশ মনোযোগেৰে চাওঁ, তেওঁলোকে চিনি পাওঁতে সঁচাকৈ কি ঘটিছিল তাক দেখিবলৈ পাওঁ। বাইবেলে কৈছে যে তেওঁৰ পুনৰুত্থানৰ পাছত তেওঁৰ শৰীৰত সেই সকলো গুণ প্ৰকট হৈছিল যিবোৰ গুণ বেহেস্তত সকলো ধাৰ্ম্মিক লোকৰ শৰীৰত থাকিব। তেওঁ সকলো পাৰ্থিব সীমা অতিক্ৰম কৰিব পাৰিছিল আৰু ইচ্ছা অনুযায়ী আবিৰ্ভাৱ আৰু অদৃশ্য হৈছিল। তেওঁ হঠাতে বন্ধ কোঠা এটাত দেখা দিব পাৰিছিল (ইউহোন্না



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

কাঁইটৰ কিৰিটি সোমোৱাই দিয়া, তেওঁৰ সলীৱ নিজে কঢ়িয়াই নিবলৈ বাধ্য কৰা, সলীৱ ওলোমাই দিয়া, কেইবা ঘন্টা অবর্ণনীয় যাতনা ভোগাৰ পাছত মৃত্যুৰ দুৱাৰদলীত ভাগৰত অচেতন হৈ পৰা আৰু তৰোৱালৰ খোচ সহ্য কৰাৰ পাছত, আল্লাহই সকলোৰে চকুত ধুলি দি ঈছাক “ৰক্ষা” কৰিবলৈ আহিছিল।

এই ধৰণৰ যুক্তিত চিন্তা-চৰ্চ্চাৰ ন্যায়সিদ্ধ ক্ৰমবৰ্দ্ধতা পাবলৈ মানুহে যুঁজ-বাগৰ কৰিব লাগিব। যদি আল্লাহই ঈছাক “ৰক্ষা’ কৰাই উদ্দেশ্য আছিল, সৰহ সংখ্যক মুছলমানে বিশ্বাস কৰাৰ দৰে, তেওঁ নিশ্চয়ে ততালিকে ঈছাক আঁতৰাই লৈ গ’লহেতেন। কেইবা ঘন্টা অবর্ণনীয় অত্যাচাৰ ভোগাৰ পাছত ফিৰিস্তাক পঠাই সহায় কৰাৰ উপৰিও আল্লাহৰ হাত প্ৰকাশ কৰিব লগীয়া আছিলনে ?

প্ৰথমতে, তেনে যাতনা আৰু কষ্ট অনৰ্থক হ’লহেতেনে আৰু শোকজনক পলমৰ পাছতহে আল্লাহৰউদ্ধাৰ সফল হ’লহেতেন। দ্বিতীয়তে, ঈছাই এই কথা জানি কোনো সান্ত্বনা নাপালেহেঁতেন যে তেওঁ মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ পাবলৈহে সলীৱৰ সন্মুখীন হব লগা হৈছে। তাৰোপৰি, যদি ঈছাক সলীৱৰ পৰা জীৱন্তে নমাই অনা হৈছিল (সকলোৰে তেওঁৰ ইতিমধ্যে মৃত্যু হৈছে বুলি ভাবিছিল) আল্লাহই তেওঁক কেনেকৈ “ৰক্ষা’ কৰিলে বা ক’ত তেওঁ মধ্যৱৰ্ত্তী হৈছিল, আমি তাক দেখিবলৈ নাপাওঁ। ই ভ্ৰান্তিয়ে সৃষ্টি কৰা দুৰ্ঘটনাৰ বাহিৰে আন একো নহয়!

এই সমস্ত তৰ্কবাদ স্পষ্টতে ইঞ্জিলৰ ঘটনাবোৰৰ ন্যায়সিদ্ধ অগ্ৰগতিৰ বিৰোধে উত্থাপন কৰা হৈছে। সমস্ত ঘটনাটোৰ সত্যতা হৈছে যে গুণাহৰ বাবে যাতনা ভোগাৰ চিন্তাত ঈছা শাৰীৰিকভাৱে ভগ্ন হৈ পৰিছিল। তেওঁ অলপ আগতে তেওঁৰ চাহাবাসকলক কৈছিল যে তেওঁৰ “প্ৰাণ মৰণৰ তুল্য শোকাতুৰ হৈছে” (মাৰ্ক ১৪·৩৪)। আল্লাহই ঈছাৰ দোৱা শুনিলে আৰু ফিৰিস্তাই তেওঁক সলীৱৰ যাতনা আৰু মৃত্যু সহিবলৈ শক্তি দিলে। এইদৰে গুনাহগাৰসকলক, মৃত্যু আৰু দোজখৰ পৰা উদ্ধাৰ কৰাৰ তেওঁৰ উদ্দেশ্যক সিদ্ধ কৰিলে।

সলীৱত কেইবা ঘন্টা যাতনা ভুগি মৃত্যুৰ দুৱাৰদলীত থকা ঈছাক মৃত্যুৰ পৰা ৰক্ষা কৰাটো পলমকৈ কৰা উদ্ধাৰকাৰ্য্য





উক্তি নহয়। ইঞ্জিলে পৰিস্কাৰকৈ দেখুৱাৰ দৰে কায়াফাৰ গৃহত এই ঘটনাটো হৈ যোৱাৰ পাচতহে ঈছাৰ বিচাৰ হৈছিল (ইউহোন্না ১৮·২৪, মথি ২৬·৫৭); আৰু তৃতীয় উক্তিটো ঈছাক আটক কৰাৰ আগতেই গেৎচিমানীবাৰীত কৈছিল। সেইবাবে দীদাতে অনা প্ৰমাণ এই যুক্তিৰ ক্ষেত্ৰত সম্পূৰ্ণ অসঙ্গত আৰু তেওঁ একোৱেই প্ৰমাণ কৰিব পৰা নাই। আমাক লাগে কায়াফাৰ গৃহত বহা মহাসভাৰ আগত বা পীলাতৰ আগত তেওঁৰ ৰাজহুৱা বিচাৰৰ সময়ত ঈছাই নিজকে ৰক্ষা কৰিবলৈ জবাব দিছিল নে কি। এই দুটা চৰকাৰী বিচাৰৰ বিষয়ে ইঞ্জিলে স্পষ্টকৈ যি কৈছে তাক দীদাতে আওকাণ কৰা দেখি আমি আঁচৰিত হওঁ। মহাসভাৰ আগত ঈছাৰ বিৰুদ্ধে সাক্ষ্যবোৰ শুনাৰ পাছত কায়াফাই ঈছাক তেওঁৰ দুছ’মনবোৰক উত্তৰ দিবলৈ শপত দিছিল আৰু তেতিয়া যি ঘটিছিল সেয়া অতি গুৰুতৰ আছিল:

“তেতিয়া মহা-ইমামে উঠি ঈছাক কলে, “তুমি একো উত্তৰ নিদিয়া নে ? তোমাৰ অহিতে এওঁলোকে কি সাক্ষ্য দিছে ?” কিন্তু ঈছাই নিজম দি থাকিল”। ( মথি ২৬· ৬২-৬৩)।

নিজক ৰক্ষা কৰিবলৈ চেষ্টা নকৰি, তাৰ প্ৰশ্নটোৰ উত্তৰত তেওঁ ততালিকে সাক্ষ্য দিছিল যে তেওঁ সঁচাকৈয়ে ইব’নুল্লাহ – যিটো সাক্ষ্যৰ বাবে মহাসভাই তেওঁক মৃত্যুদণ্ড দিলে। উল্লেখযোগ্য কথাটো হল যে তেওঁৰ দুছ’মনসকলৰ উত্তৰত আমি পৰিস্কাৰকৈ পঢ়িবলৈ পাওঁ যে ঈছা নিজম দি আছিল। একেদৰে আমি পঢ়িবলৈ পাওঁ যে পীলাতে তেওঁক প্ৰায় একে প্ৰশ্নটোকে সোধোতে, একে কথাই ঘটিছিল। নিজক ৰক্ষা কৰিবৰ বাবে কিবা কবলৈ তেওঁ নিজৰ মুখ মেলা নাছিল।

“কিন্তু প্ৰধান ইমাম আৰু বৃদ্ধসকলে তেওঁক অপবাদ দিলতো, তেওঁ একো উত্তৰ নিদিলে। তেতিয়া পীলাতে তেওঁক কলে, “এওঁবিলাকে তোমাৰ অহিতে কিমান সাক্ষ্য দিছে তাক তুমি শুনা নাই নে ?” কিন্তু তেওঁ এবাৰো উত্তৰ নিদিয়াত, দেশাধিপতিয়ে অতিশয় বিস্ময় মানিলে”। (মথি ২৭·১২-১৪)।

দীদাতে এই ঘটনাবোৰ চতুৰতাৰে গোপন কৰিছে, যিবোৰ ঘটনাই আমাক স্পষ্টকৈ কয় যে আগবঢ়াই দিয়া মিছা সাক্ষীবোৰে মহাসভাত তেওঁক অপবাদ কৰোতে ঈছা মনে মনে



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

আছিল আৰু পীলাতৰ আগত জগৰীয়া কৰোতে, তেওঁ এটা বদ'নামৰো উত্তৰ দিয়া নাছিল। হাতত থকা বিষয়টোৰ লগত পোনপতীয়া সম্বন্ধ থকা প্ৰমাণবোৰ দীদাতে তেওঁৰ নিয়মিত দস্তুৰমতে দমন কৰিছে আৰু তাৰ পৰিবৰ্ত্তে বিষয়টোৰ লগত সম্বন্ধ নথকা আন পৰিস্থিতিৰ পৰা যুক্তি ওলিয়াবলৈ চেষ্টা কৰিছে।

মন কৰিবলগীয়া কথা যে ইহূদীবিলাকৰ ৰজা হেৰোদৰ আগত ঈছাই থিয় হওঁতে আৰু পীলাতলৈ আকৌ ঘূৰাই পঠোৱাৰ আগতে ঠিক একে ঘটনাই ঘটিছিল। তেতিয়া হেৰোদে ঈছাক দেখি অতিশয় আনন্দিত হল; কিয়নো তেওঁৰ বিষয়ে শুনাৰ কাৰণে বহুকালৰে পৰা তেওঁক চাবলৈ ইচ্ছা কৰিছিল; আৰু তেওঁ দেখুৱা কোনো চিন চাবলৈ আশা কৰিছিল। তেতিয়া হেৰোদে তেওঁক অনেক কথা সুধিলে, কিন্তু তেওঁ একো উত্তৰ নিদিলে। আৰু প্ৰধান ইমাম আৰু অধ্যাপকসকলে থিয় হৈ বৰকৈ তেওঁৰ অপবাদ দি আছিল"। (লূক ২৩· ৮-১০)।

আকৌ এবাৰ, ঈছাক অপবাদ দিওঁতে তেওঁ কোনো উত্তৰ দিয়া নাছিল। প্ৰত্যেকবাৰেই তেওঁ প্ৰকৃততে বিচাৰৰ বাবে মহাসভা, হেৰোদ বা পীলাতৰ আগত থিয় হওঁতে, তেওঁ নিজক ৰক্ষাৰ বাবে কো কথাই কোৱা নাছিল আৰু এইদৰে যিচয়াৰ নবুৱতী সিদ্ধ কৰিছিল যে তেওঁৰ বিচাৰৰ সময়ত নিজৰ পক্ষে কথা কবলৈ মুখ মেলি তেওঁ নিজকে ৰক্ষা নকৰিব। দীদাতে উল্লেখ কৰা কোনোটো উক্তিয়েই ঈছাই আচল বিচাৰৰ সময়ত কৰা নাছিল। এইদৰে দীদাতৰ আৰু এটা যুক্তি সম্পূৰ্ণৰূপে ধৰাশায়ী হৈছে।

## ৪। সলীৱত দিয়াৰ পাছত ঈছা থকাৰ মতবাদ

আমাৰ বিস্ময়ৰ কেতিয়াও অন্ত নহয়, কিয় আহ'মদ দীদাতে এতিয়াও এই মতবাদটো ধৰি ৰাখিছে যে ঈছাক সঁচাকৈয়ে সলীৱত দিয়া হৈছিল কিন্তু তেওঁ জীৱিত অৱস্থাত সলীৱৰ পৰা নামি আহিছিল। আমাৰ বিস্ময় দুই ধৰণৰ। একহাতে, এই ভাবধাৰাটো মুছলমান ধৰ্ম্মৰ কেৱল বিধৰ্ম্মী আহমদীয় সম্প্ৰদায়েহে মানে আৰু সকলো প্ৰকৃত মছীহি আৰু মুছলমানে



"মছীহৰ সলীৰ মৃত্যুঃ এটি বাস্তৱ তথ্য, উপকথা নহয়।"

আল্লাহই তেওঁৰ অভিষিক্তজনাক মৰিবলৈ নিদিব – এই ভাবধাৰাৰ কোনো সাৰ নাই, কাৰণ মহান নবী দানিয়েলৰ নবুৱতীত আছে যে "এজন অভিষিক্ত লোকক উচ্ছন্ন কৰা হব, আৰু তেওঁৰ সম্বন্ধীয়া কোনো নাথাকিব" (দানিয়েল ৯·২৬)। দৰাচলতে এই মূল বচনত 'মাছিয়াহ' শব্দটো ব্যৱহাৰ কৰাৰ পৰাই ইহূদীবিলাকে জগতৰ অপেক্ষিত নাজাতদাতাক "মছীহ" কবলৈ আৰম্ভ কৰিছিল। তথাপি এই পাঠতে আমি পঢ়িবলৈ পাওঁ যে স্বয়ং মছীহকে উচ্ছন্ন কৰা হব – এয়া মছীহক সলীৱত দিয়া আৰু তেওঁৰ মৃত্যুৰ স্পষ্ট ভৱিষ্যদ্বাণী।

আমি এই কথাত বিশেষকৈ আঁচৰিত হৈছোঁ যে দীদাতে "অভিষিক্তজনা", "খ্ৰীষ্ট", "মছীহ", অৰ্থাৎ ঈছাৰ আগমণৰ সংক্ৰান্তত দ্বিতীয় বিৱৰণ ১৮·২০ উল্লেখ কৰিছে। তেওঁৰ পুথি "মহম্মদৰ বিষয়ে বাইবেলে কি কয়"ত তেওঁ প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে যে দ্বিতীয় বিৱৰণ ১৮ অধ্যায়ত এজন ভাৱবাদীৰ আগমণৰ বিষয়ে কৰা ভৱিষ্যদ্বাণী মহম্মদৰ বিষয়ে কৰা হৈছিল, যদিও আমি বাৰে বাৰে প্ৰমাণ কৰিছোঁ যে সেয়া মছীহ, অৰ্থাৎ ঈছাৰ আগমণৰহে পূৰ্ব্ব ধাৰণা আছিল (কোৰাণে সমৰ্থন কৰিছে যে একমাত্ৰ ঈছা মছীহই, "অভিষিক্তজনা", আল-মাছীহ, ঈছাই আছিল – চুৰাহ ৩·৪৫ আয়াত)। সেইবাবে দীদাতে তেওঁৰ ছেগা-চোৰোকা ভুল এটা কৰি তেওঁৰ পুথিৰ ওপৰত দিয়া উদ্ধৃতিত সেই ভৱিষ্যদ্বাণী মহম্মদৰ ক্ষেত্ৰত নহয়, কিন্তু ঈছা মছীহৰ বিষয়েহে আছিল বুলি স্বীকাৰ কৰাটো অতি তাৎপৰ্য্যপূৰ্ণ।

দীদাটৰ গোটেই পুথিখনৰ ভিতৰত বোধকৰো আটাইতকৈ অসঙ্গত যুক্তিটো হৈছে তেওঁৰ ভাবধাৰা যে গেৎচিমানীবাৰীত ঈছাৰ দোৱা শুনি আল্লাহই তেওঁৰ ফিৰিস্তাক পঠাইছিল "এই আশাত যে আল্লাহই তেওঁক ৰক্ষা কৰিব" (৩৫ পৃ:)। তেওঁ আৰু যুক্তি ডাঙি ধৰিছে যে আল্লাহই ঈছাৰ ইতিমধ্যে সলীৱত মৃত্যু হৈছে বুলি সৈন্যবোৰৰ মনত বিশেষভাৱে সোমোৱাই দিছিল আৰু কৈছে যে সেয়া "আল্লাহৰ উদ্ধাৰৰ পৰিকল্পনাৰ আন এটি খোজ" (৩৬ পৃ:)। গতিকে যুক্তিটো হৈছে যে কেইবা ঘন্টাও চাবুকৰ কোব, চৰ-ভুকু খোৱা, তেওঁৰ মূৰত হেচা মাৰি



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

আছিল। সলীৱি মৃত্যুৰ বিষয়টোৰ ওপৰত তেওঁৰ পূৰ্বৰ পুথিৰ প্ৰতিবাদ কৰি মই স্পষ্টকৈ দেখুৱাইছোঁ যে ঈছাই তেওঁৰ পিতৃয়ে তেওঁক পৰিত্যাগ কৰা, গুণাহগাৰসকলৰ গুণাহ আৰু দুষ্টতাৰ ৰাজ্যত এৰি থৈ যোৱাৰ ক্ষেত্ৰতহে কেৱল অনিচ্ছুক আছিল। ঈছাক সলীৱত দিয়াৰ আগনিশা গেৎচিমানীবাৰীত যেতিয়া গুণাহগাৰসকলৰ হাতত তেওঁক ধৰাই দিয়াৰ সময় হৈছিল, তেতিয়া এই ভয় তাৰ চৰম সীমা পাইছিলগৈ (মথি ২৬·৪৫)। মৰিবলৈ তেওঁ অনিচ্ছুক হোৱা হলে, এই ভয় তেওঁ পাছদিনা সলীৱৰ সন্মুখীন হওঁতেহে উৰ্দ্ধসীমা পালেগৈহেঁতেন, কিন্তু আগনিশা এজন ফিৰিস্তাই তেওঁক শুশ্ৰষা কৰাৰ পাছত শক্তি পাই (লূক ২২·৪৩) তেওঁ মনৰ দৃঢ়তাৰে মৃত্যুৰ সন্মুখীন হৈছিল। আমি দেখিবলৈ পাইছো যে তেওঁলৈ কি কি ঘটিব সেই সকলো জানিও তেওঁ শান্তভাৱে আগবাঢ়ি গৈছিল।

পাছদিনা তেওঁৰ ওপৰত জাপি দিয়া সকলো আঘাত তেওঁ শান্তভাৱে গ্ৰহণ কৰিছিল আৰু কোনো আশঙ্কা আৰু প্ৰতিবাদৰ চিন প্ৰকাশ নকৰাকৈ নিজকে সলীৱত নিজকে সপি দিছিল। তেওঁক যিৰূচালেমৰ পৰা ওলিয়াই লৈ যাওঁতে তেওঁ নিজতকৈ নগৰৰ নাৰী আৰু তেওঁলোকৰ সন্তানবোৰৰ প্ৰতিহে বেচি চিন্তা প্ৰকাশ কৰিছিল (লূক ২৩·২৮) আৰু সলীৱত নিজৰ প্ৰতি নহয় কিন্তু তেওঁৰ চাৰিওকাষে থকাবিলাকৰ প্ৰতিহে বেচি চিন্তা কৰিছিল (ইউহোন্না ১৯·২৬-২৭)। দৰাচলতে, তেওঁ মৰিবলৈ অনিচ্ছুক আছিল বুলি পোৱাতকৈ আমি ইঞ্জিলৰ বৰ্ণনাবোৰত আবিষ্কাৰ কৰো যে তেওঁ সলীৱৰ ফালে মুখ কৰিছিল আৰু তাৰ হাত সাৰিবলৈ অনেক সুযোগ পালেও তেওঁ সেইবোৰ গ্ৰহণ কৰা নাছিল, কিন্তু মানুহক সিবিলাকৰ পাপৰ পৰা উদ্ধাৰ কৰিবলৈ দৃঢ়সঙ্কল্প হৈ আগুৱাই গৈছিল।

এইদৰে দীদাতৰ আৰু এটি যুক্তিৰ কোনো ফল নধৰিল। আন এটা ঠাইত আমি তেওঁক যথেষ্ট বিবুদ্ধিত পাইছোঁ যেতিয়া তেওঁ কৈছে: "কাৰণ সৰ্ব্বশক্তিমান আল্লাহই তেওঁৰ প্ৰকৃত "অভিষিক্তজনাক" কেতিয়াও মৰিবলৈ নিদিব – (দ্বিতীয় বিৱৰণ ১৮·২০)। (দীদাত,"সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?", ১৫ পৃ:)।



"মছীহৰ সলীৱ মৃত্যুঃ এটি বাস্তৱ তথ্য, উপকথা নহয়।"

প্ৰকাশ্যৰূপে নিন্দা কৰে। আনহাতে, এই মতবাদটো বাৰে বাৰে খণ্ডন কৰা হৈছে আৰু দীদাতে ইয়াক ধৰি ৰাখিছে যদিও ইয়াৰ বিৰুদ্ধে উত্থাপন কৰা যুক্তিবোৰৰ উত্তৰ তেওঁ দিব পৰা নাই।

উদাহৰণ স্বৰূপে, তেওঁৰ নতুন পুথিৰ ৩৬ পৃষ্ঠাত তেওঁ দাবী কৰিছে যে যেতিয়া সলীৱৰ ওপৰত ওলমি থকা ঈছাক পহৰা দি থকা এশৰ সেনাপতিয়ে "তেওঁৰ মৃত্যু হোৱা দেখিছিল" (ইউহোন্না ১৯·৩৩), ইয়াৰ যথাৰ্থ এই যে তেওঁ ঈচা মৰিছে বুলি "অনুমান"হে কৰিছিল আৰু তেওঁৰ মৃত্যুক সাব্যস্ত কৰিবলৈ একো নাছিল। তেওঁৰ আগৰ পুথি "ঈছাক সলীৱত দিয়া হৈছিল নে?"ৰ উত্তৰত মই বেছ স্পষ্টকৈ দেখুৱাইছিলোঁ যে এশৰ সেনাপতিজনৰ নিৰীক্ষণেই ঈছাৰ যে ইতিমধ্যে মৃত্যু হৈছিল সেই কথাৰ সৰ্ব্বোত্তম সাক্ষ্য আছিল। ৰোমীয় দেশাধিপতিৰ আগত এশৰ সেনাপতিজনে সাব্যস্ত কৰিব লাগিছিল যে সলীৱত দিয়া মানুহজনৰ মৃত্যু হৈছে আৰু তেওঁৰ যদি ভুল হয়, তেওঁৰ নিজৰ জীৱনেই হেৰুৱাব লগা হব পাৰে। আমি পঢ়োঁ:

"কিন্তু পীলাতে আচৰিত মানি, তেওঁ ইমান সোনকালে মৰিল নে নাই, ইয়াকে সংশয় কৰি, এশৰ সেনাপতিক মতাই সুধিলে, তেওঁ কেতিয়াবাই মৰিল নে কি? পাছে এশৰ সেনাপতিৰ পৰা তাক জানি, তেওঁ ইউছুফক শৰটো দিলে"। (মাৰ্ক ১৫· ৪৪-৪৫)।

ৰোমীয় দেশাধিপতি পীলাতে জানিছিল যে যদি এশৰ সেনাপতিয়ে তেওঁৰ মৃত্যুক প্ৰত্যয়জনকভাৱে সাবস্ত্য কৰে, তেন্তে ই নিশ্চিত, কাৰণ তেতিয়াৰ দিনত কোনো সৈন্যই এজন বন্দীক পলাবলৈ সুযোগ দিলে, শাস্তিস্বৰূপে তেওঁ নিজৰ জীৱনেই হেৰুৱাব লগা হৈছিল।

কিছু সময়ৰ পাছত নগৰৰ বন্দীশালৰ পৰা ৰছুল পিতৰে পলাওঁতে, তেওঁক পহৰা দিবলৈ নিযুক্তি দিয়া পৰীয়াবোৰক সোধপোচ নকৰাকৈ প্ৰাণদণ্ড দিয়া হৈছিল (পাঁচনিৰ কৰ্ম্ম ১২·১৯)। আকৌ, আন এজন ফাটেকৰ দাৰোগাই পৌল আৰু চীল বন্দীশালৰ পৰা পলাল বুলি ভাবি, তেওঁ "তৰোৱাল উলিয়াই আপোনঘাতী হবলৈ উদ্যত হল" (পাঁচনিৰ কৰ্ম্ম ১৬·২৭), তেতিয়ালৈকে তেওঁলোক পলোৱা নাই বুলি তেওঁ গম পোৱা



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

নাছিল। মৃত্যুদণ্ড পাই মৰাতকৈ আত্মহত্যা কৰাই তেওঁ উত্তম বুলি ভাবিছিল। বন্দীয়াৰক পলাবলৈ সুবিধা দিলে মৃত্যুৱেই তাৰ শাস্তি আছিল – গতিকে এশৰ সেনাপতিয়ে কিছুমান অসাৱধান আৰু অমনোযোগী নিৰীক্ষণ কৰাৰ ফলত মৃত্যুদণ্ড দিয়া এজন মানুহ যদি পলায়, তেন্তে তেওঁ কি আশা কৰিব পাৰে? গতিকে ঈছাৰ সলীৱত মৃত্যু হোৱাৰ এনে বিশ্বাসযোগ্য সাক্ষী এশৰ সেনাপতিৰ বাহিৰে আন কোনো হব নোৱাৰে!

সৈন্যবোৰে ঈছা মৰিল বুলি কেৱল "অনুমান"হে কৰিছিল – দীদাতৰ এই ধাৰণাক যদিও ডাঠিকৈ অপ্ৰমাণ কৰা হৈছে, তথাপি দীদাতে সেই একে পুৰণি যুক্তিকে আগবঢ়াই আছে। তেওঁৰ মতবাদৰ অহিতে দিয়া চূড়ান্ত সাক্ষ্য তেওঁ সাধাৰণভাৱে আওকান কৰি আকৌ সেইটোকে পুনৰায় উত্থাপন কৰিছে। বিৰোধী পক্ষই এবাৰ সম্পূৰ্ণৰূপে খণ্ডন কৰাৰ পাছত এজন অকামিলা সমৰ্থকেহে তেওঁৰ মূল যুক্তিবোৰ আকৌ দোহৰাব।

ঈছাৰ মৃত্যু হৈছে বুলি এশৰ সেনাপতিয়ে কেৱল অতি নিশ্চিতৰূপে লক্ষ্য কৰাই নহয়, এজন সেনাই তেওঁৰ কোষত বৰছাৰে খোঁচ মাৰিছিল – তেওঁৰ মৃত্যু খাটাং কৰিবলৈ এই প্ৰচেষ্টা। মানুহক হত্যা কৰাৰ ৰোমীয়সকলৰ এটা নিয়মিত প্ৰথা আছিল "তেওঁলোকক তৰোৱালৰ আগত দিয়া", অৰ্থাৎ তেওঁলোকৰ মাজেদি তৰোৱাল ভৰাই দিয়া। ঈছালৈ সেনাবিলাকে ঠিক এই কামটোকে কৰিছিল আৰু তেওঁ সম্পূৰ্ণ সুস্থ হৈ থাকিলেও, তেনে এটা আঘাতৰ পৰা তেওঁ কেতিয়াও বাচিব নোৱাৰিলেহেঁতেন। তথাপি দীদাতে হাস্যাস্পদৰূপে কব বিচাৰিছে যে এই মৃত্যু অনিবাৰ্য্য আঘাতে ঈছাৰ "প্ৰাণ ৰক্ষাৰ কামত আহিল" আৰু যাতে "ৰক্ত সঞ্চালনে পুনৰ তাৰ ছন্দ ঘূৰাই পায়", তাৰ বাবে তেওঁৰ তেজ উজাৰি দি তেওঁক আকৌ জীয়াই তুলিলে (৩৯ পৃ:)। তেনে চৰম অমূলক কথা তেওঁৰ আটাইতকৈ সহজে ভুল যোৱা পাঠকেও নিশ্চয় বিশ্বাস নকৰে – যে তেওঁৰ দেহৰ মাজেদি পাৰ কৰা বৰছাৰ খোঁচে তেওঁক পুনৰ জীয়াই তুলিবলৈ সক্ষম হব! কোনোবাই যেতিয়া তেনে ধৰণৰ অসঙ্গতাৰ সহায় লব লগা হয়, তেতিয়া ই পৰিস্কাৰ যে সেইজনৰ যুক্তিত কোনো সাৰ নাই।

দীদাতৰ পুথিৰ কেইখিলামান পৃষ্ঠাৰ আগলৈ পাঠকৰ





আগত একে ধৰণৰ অসঙ্গতা ডাঙি ধৰা হৈছে য'ত ঈছাৰ সলীৱি মৃত্যুৰ অলপ সময়ৰ পাছত মগ'দলীনী মৰিয়মে ঈছাৰ দেহটোত সুগন্ধি দ্ৰব্য সানিবলৈ অহাৰ বিষয়ে তেওঁ আলোচনা কৰিছে: "তিনিদিনৰ সময়ছোৱাত দেহটো ভিতৰৰ পৰা ফুলি উঠিবলৈ আৰম্ভ কৰিব – শৰীৰৰ কোষবোৰ ভাঙিবলৈ আৰু পচিবলৈ লব। কোনোবাই যদি পচিবলৈ ধৰা শৰীৰ এটাক ঘঁহে, সেইটো টুকুৰা-টুকুৰি হৈ যাব"। (দীদাত, "সলীৱ মৃত্যু? অথবা সলীৱৰ উপকথা?", ৪৪ পৃ:)।

ইও সম্পূৰ্ণ অবৈজ্ঞানিক কথা। ঈছাৰ মৃত্যু শুক্ৰবাৰে আবেলি হৈছিল আৰু সেই একে পৃষ্ঠাতে দীদাতে স্বীকাৰ কৰাৰ দৰে, মাত্ৰ এদিন আৰু দুই ৰাতিৰ পাছতে মগ'দলীনী মৰিয়মে তেওঁৰ দেহটোত সুগন্ধি দ্ৰব্য সানিবলৈ আহিছিল। ইমান কম সময়ৰ ভিতৰত কোনো শৱ "টুকুৰা-টুকুৰি" হৈ নাযায়। উজ্জ্বল অক্ষৰে দীদাতে লগতে লিখিছে যে ঈছাক সুস্থ হোৱাত সহায় কৰিবৰ বাবে মৰিয়মে মৈদামলৈ অকলে আহিছিল, কিন্তু মথি ২৮·১ আৰু লূক ২৪·১০ পদত আমি পাওঁ যে তেওঁৰ লগত অন্ততঃ আন দুগৰাকী নাৰী, যোহানা আৰু য়াকোবৰ মাক মৰিয়ম আহিছিল আৰু তাকো ইহূদীসকলৰ মৈদাম দিয়াৰ প্ৰথা অনুসৰি প্ৰস্তুত কৰা সুগন্ধি দ্ৰব্য দিবলৈহে আহিছিল। দীদাতৰ যুক্তিত কোনো সাৰ নাই। ঈছাৰ সলীৱি মৃত্যু আৰু পুনৰুত্থান ইতিহাসৰ সত্য ঘটনা। কিন্তু দীদাতৰ কাহিনীটো হৈছে যে ঈছা সলীৱৰ পৰা পলাই আহি সুস্থ হৈ উঠিছিল। ই একেবাৰে অসত্য।

মৈদামৰ শিলটো গুচোৱা, ঈছাই তেওঁৰ চাহাবাসকলক তেওঁ তেতিয়াও মৰা নাই বুলি দেখুৱাবলৈ চেষ্টা কৰিছিল নে কি বা ইউনুছ নবীৰ চিহ্নৰ বিষয়টো – এইবোৰত আমি সোমাব বিচৰা নাই। দীদাতৰ পুথিখনত যদিও এই সকলো বিষয় আলোচনা কৰা হৈছে, আমি সেইবোৰৰ আঁতি গুৰি মৰা উত্তৰ এই ক্ৰমৰ "ইউনুছ নবীৰ প্ৰকৃত চিহ্ন কি আছিল?" শীৰ্ষক দ্বিতীয় পুথিখনত দিছোঁ। সেই পুথিখন পাঠকে আমাৰ কাৰ্য্যালয়ৰ পৰা বিনামূল্যে লব পাৰে।

দীদাতে পুনৰাবৃত্তি কৰা আন এটা তৰ্কবাদ যিটো প্ৰায়ে অপ্ৰমাণ কৰা হৈছে, সেইটো হৈছে "ঈছাই মৰিবলৈ অনিচ্ছুক"



Document Produced by deskPDF Unregistered :: http://www.docudesk.com